সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ, ১২ সংখ্যা, ১০ চ'ত , ৰবিবাৰ, ১৪৩০ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.12 Date Of Publication - 24 March 2024 Rs.10.00/-

## ১১খনত ১-৫ লাখৰ ভোটত জয়ী হ'ব বিজেপিৰ প্ৰাৰ্থী



ৰঙিলী বাৰ্তাসেৱা- লোকসভা-নিৰ্বাচনত ৰাজ্যৰ ১৪ আসনৰ ভিতৰত ১৩ আসনতে পূৰ্ণ প্ৰতিদ্বন্দ্বিতা কৰিব বিজেপিয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা স্পষ্ট কৰিলে। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত কাৰ্যকৰ্তাসকলৰ সৈতে হোৱা এখন সাংগঠনিক সভাৰ অন্তত সাংবাদিকৰ আগত এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- ১১খন আসনত বিজেপিৰ পৰাজয়ৰ প্ৰশ্ন অৱতাৰণাই নহয়। এই ১১খন আসনত ১-৫ লাখৰ ভোটৰ ব্যৱধানত আমাৰ প্ৰাৰ্থী জয়ী হ'ব।নগাঁও আৰু কৰিমগঞ্জ সমষ্টিতো আমি পূৰ্ণ প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সক্ষম হ'ম আৰু জয়ৰ সম্ভাৱনাও আমাৰ অধিক।নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত কৰাৰ লক্ষ্যৰে বিজেপিয়ে প্ৰতিখন ৰাজ্যতে আসনৰ সংখ্যা বৃদ্ধিৰ বিশেষ লক্ষ্য বান্ধি লৈছে। সেই লক্ষ্যৰে অসমতো বিজেপিয়ে আসনৰ সংখ্যা বৃদ্ধিৰ পৰিকল্পনা প্ৰস্তুত কৰি তুলিছে। প্ৰথম অৱস্থাত শাসকীয় দলটোৱে ১১খন আসনত জয়ৰ সম্ভাৱনা ব্যক্ত কৰিছিল যদিও বিৰোধী ঐক্যমঞ্চৰ ভাঙোনৰ পাছতে বিজেপিয়ে আসনৰ এই সংখ্যা ১৩খনলৈ বৃদ্ধিৰ ৰণকৌশল প্ৰস্তুত কৰিছে। এই উদ্দেশ্যে ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দলৰ ৰাজ্যিক নেতৃত্বৰ সৈতে বিভিন্ন দিশত আলোচনা কৰে। এই আলোচনাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ১৩খন আসন দখল কৰাই আমাৰ মূল লক্ষ্য। এই ১৩খন আসনত বিজেপি পূৰ্ণ প্ৰতিদ্বন্দ্বিতাত আছে। আনহাতে, ধুবুৰীত ৰকিবুল হুছেইন আৰু বদৰুদ্দিন আজমলৰ যুঁজৰ পৰা বিজেপি আঁতৰি থাকিব।ৰকিবুল হুছেইনে বদৰুদ্দিন আজমলক পৰাজয় কৰক, আমাৰ শুভেচ্ছা

(দহ পৃষ্ঠাত চাওক)

## ৰাজ্যিক বিজেপিয়ে আনুষ্ঠানিকভাৱে আৰম্ভ কৰিলে নিৰ্বাচনী প্ৰচাৰ




ৰঙিলী বাৰ্তাসেৱা- বিৰোধীতকৈ যথেষ্ট আগতীয়াকৈ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰি পূৰ্ণ প্ৰস্তুতিৰে সাজু হোৱা ৰাজ্যিক বিজেপিয়ে আৰম্ভ কৰিলে আনুষ্ঠানিক নিৰ্বাচনী প্ৰচাৰ। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিলে। গুৱাহাটীৰ পৰা ডিফুলৈ হেলিকপ্টাৰেৰে গৈ দলৰ প্ৰাৰ্থী অমৰ সিং টিচুৰ হৈ ডিফু চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন বিশাল নিৰ্বাচনী সভাক সম্বোধন কৰে সভাপতি ভবেশ কলিতাই। ৰাজ্যিক বিজেপিয়ে এইবাৰ

(দহ পৃষ্ঠাত চাওক)

## বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ নিৰ্বাচনী প্ৰচাৰ

ৰঙিলী বাৰ্তাসেৱা- আগন্তুক লোকসভা নিৰ্বাচনক লৈ ৫নং গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে ধাৰাবাহিকভাৱে নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। ৫নং গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে ধাৰাবাহিকভাৱে নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে




মহানগৰীৰ ৪৪নং ৱাৰ্ডৰ গণেশ নগৰ বৰনামঘৰ, ৪৬ নং ৱাৰ্ডৰ খানাপাৰা, গণেশ মন্দিৰ, জয়ানগৰ

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয়...

## ফাকুৱাৰ শুভেচ্ছাৰে



'ৰংগে ফাগু খেলে চৈতন্য বনমালী।
দুই হাতে ফাগুৰ গুড়া সিঞ্চন্ত মুৰাৰি।।'
- কীৰ্ত্তন ঘোষা

আমি ভাৰতীয় সকলে প্ৰতিটো উৎসৱ ধৰ্মীয় পৰম্পৰাৰ ওপৰত ভিত্তি কৰি পালন কৰো। ফাগুণ মাহৰ পূৰ্ণিমা তিথিত হিন্দু ধৰ্মৰ লোকসকলে উদযাপন কৰে এই ৰঙৰ উৎসৱ ফাকুৱা। প্ৰাচীন মদন পূজাৰ এক আনুষংগিক উৎসৱ হিচাপে আমি ফাকুৱা উৎসৱ পালন কৰো ।অসমত দৌল উৎসৱৰ পাতনি মেলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। ২১ বছৰ বয়সতে গুৰুজনাই বৰদোৱাত এই উৎসৱ পালন কৰিছিল। বৰ্তমান সময়ত ফাকুৱা উৎসৱ কেৱল বসন্তৰ ৰং-আনন্দ তথা ধৰ্মীয় উৎসৱেই হৈ থকা নাই, ফাকুৱা বা হোলী উৎসৱ- শান্তি, আনন্দ আৰু মহা মিলনৰ উৎসৱ হৈ পৰিছে। ৰঙা, নীলা, সেউজীয়া ৰংবোৰে বোৱাই আনক সকলোৰে জীৱনলৈ এক আনন্দৰ বতৰা। দূৰ হওঁক অপশক্তি। ফাগুনী আবিৰৰ ৰঙেৰে ৰাঙলী হৈ পৰক সকলোৰে মন-প্ৰাণ। ফাগুণৰ এই পবিত্ৰ ক্ষণত সকলোলৈকে জনাইছো আনন্দৰ উৎসৱ ফাকুৱাৰ শুভেচ্ছা।

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ WhatsApp - 9854215286 Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।
Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ 'কুন্তীদেৱী স্মাৰক বক্তৃতা'



ৰঙিলী বাৰ্ত্তাসেৱা- 'সাধাৰণ চিকিৎসকে বেমাৰৰ চিকিৎসা কৰে, মনৰ চিকিৎসা নকৰে। যি সকল মহান চিকিৎসক তেওঁলোকে বেমাৰৰ লগতে মনৰো চিকিৎসা কৰে।'-এই মন্তব্য স্নায়ুৰোগ বিশেষজ্ঞ ডা° নোমল চন্দ্ৰ বৰাৰ। ১৭ মাৰ্চত মহানগৰীৰ দাঁতালপাৰাস্থিত দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয় প্ৰাংগনত আয়োজিত গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ কুন্তীদেৱী স্মাৰক বক্তৃতাত 'মন আৰু স্বাস্থ্যঃ উপভোগ্য জীৱনৰ আধাৰ' বিষয়ৰ ওপৰত মন্তব্য প্ৰদান কৰে বিশিষ্ট চিকিৎসক ডা° নোমল চন্দ্ৰ বৰাই। তেওঁ পুনৰ কয়-'বয়স বাঢ়ি গৈ থাকক একো ডাঙৰ কথা নহয়, মনটো ডেকা কৰি ৰাখিব লাগে। ডেকা হৈ থাকিবলৈ গঠনমূলক, সামাজিক কামত ব্যস্ত থাকিব লাগে। মনটো সদায় পজিটিভ হৈ থাকিব লাগে। যিবোৰ কামে যোগাত্মক প্ৰভাৱ পেলায় তেনে কাম কৰিব লাগে। বেমাৰৰ চিকিৎসা কৰাতকৈ বেমাৰ নোহোৱাকৈ ৰাখিব পৰাটোহে ডাঙৰ কথা। আমি শাৰীৰিক পৰিশ্ৰম কৰিলে শৰীৰটো ভালে থাকে।' সমাজৰ সাধাৰণ সম্পাদক ৰঞ্জন বড়োয়ে আঁত ধৰা সভাত সভাপতিত্ব কৰে সমাজৰ সভাপতি শিৱ প্ৰসাদ ভট্টাচাৰ্যই। সভাত উপদেষ্টা সুশীল চন্দ্ৰ বৰঠাকুৰ, দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ শৰ্মা উপস্থিত থাকে। সুৰেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা ৰীনা দাসে পৰিচালনা কৰা সমবেত সংগীতেৰে শুভাৰম্ভ কৰা সভাত সাংগঠনিক সম্পাদক গকুল বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰে। জ্যেষ্ঠ সদস্য নৱ প্ৰসাদ শৰ্মাই আঁত ধৰা সভাত ডা° নোমল চন্দ্ৰ বৰাক গামোচা আৰু ফুলৰ থোপাৰে সম্বৰ্ধনা জনোৱা হয়। সংগীত শিক্ষয়িত্ৰী বিউটী বৰুৱাই গীত পৰিৱেশন কৰা সভাত বিশিষ্ট চিকিৎসক ডা° নোমল চন্দ্ৰ বৰাৰ সৈতে এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। কুন্তীদেৱীৰ পৰিয়ালৰ ফালৰ পৰা সুশীল চন্দ্ৰ বৰঠাকুৰে দুআষাৰ কয়। জ্যেষ্ঠ সদস্য উমেশ চন্দ্ৰ ভাগৱতীয়ে শলাগৰ শৰাই আগবঢ়ায়।

# দক্ষিণ কামৰূপ সচেতন মঞ্চৰ বেংক বিষয়াক সম্বৰ্দ্ধনা

ৰঙিলী বাৰ্ত্তাসেৱা- দক্ষিণ কামৰূপ সচেতন সচেতন মঞ্চৰ তৰফৰ পৰা বিজয়নগৰস্থিত এপেক্স বেংকৰ শাখা প্ৰবন্ধক নীলাক্ষি ডেকাক সম্বৰ্দ্ধনা জ্ঞাপন কৰে । সচেতন মঞ্চৰ উপদেষ্টা তথা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য দীপক শৰ্মা, দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ অন্যতম উপদেষ্টা কমল চন্দ্ৰ মেধি, মঞ্চৰ অধ্যক্ষ মদন দাস, ভাৰপ্ৰাপ্ত সম্পাদক লাফিকুল হক, দিব্যা বৰা প্ৰভৃতিয়ে অংশ লোৱা অনুষ্ঠানত



বেংক বিষয়া নীলাক্ষি ডেকাই কয়- "পুৰুষসকলতকৈ মহিলাসকলৰ আত্মবিশ্বাস বহু বেছি ।গ্ৰাম্য অৰ্থনীতি বিকাশত মহিলাসকলৰ ভূমিকা অনন্য ।সমবায় পদ্ধতিতো কাম-কাজ কৰাত দক্ষতা আছে ।এপেক্স বেংকৰ পৰা মহিলাসকলৰ মাজত (দহ পৃষ্ঠাত চাওক)

# বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন গৃহৰ শিলান্যাস বিধায়ক বিশ্বজিত ফুকনৰ




ৰঙিলী বাৰ্ত্তাসেৱা- মহাৰজত জয়ন্তী বৰ্ষ গৰকা ঐতিহ্যমণ্ডিত বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুনকৈ নিৰ্মান কৰিবলগা গৃহৰ অলপতে শিলান্যাস কৰে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিত ফুকনে। উল্লেখযোগ্য যে বিধায়ক বিশ্বজিত ফুকনৰ নিৰবিছিন্ন প্ৰচেষ্টাত অসম চৰকাৰে আগবঢ়োৱা আঠ কোটি টকাৰ অনুদানেৰে সম্পূৰ্ণ বিদ্যালয় খনকে নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই উদ্দেশ্য বিদ্যালয়ৰ খনৰ প্ৰাঙ্গণত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গৃহটিৰ শিলান্যাস কৰি বিধায়ক গৰাকীয়ে শিক্ষা ক্ষেত্ৰখনৰ আন্তঃগাঠনি উন্নয়নৰ বাবে অসম চৰকাৰে আগবঢ়োৱা অনুদানৰ বাবে চৰকাৰ তথা (দহ পৃষ্ঠাত চাওক)

# 'কা' বিৰোধী জাতীয় মঞ্চই ৰাজ্যপালক স্মাৰক পত্ৰ প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- 'কা' বিৰোধী জাতীয় মঞ্চ অসমৰ আহ্বায়ক ৰুবুল দাসৰ নেতৃত্বত ৫ জনীয়া এটি সজাতী দলে আজি মহামহিম অসমৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াক সাক্ষাৎ কৰি 'কা' আইন বলৱৎৰ বাতিলৰ বিৰুদ্ধে এখন স্মাৰক পত্ৰ প্ৰদান কৰে। উক্ত দলটোত দাসৰ লগতে আহ্বায়ক যাদৱ গগৈ, প্ৰদীপ কলিতা, ৰবি শইকীয়া চুতীয়া, সঞ্জীৱ চিৰাম দেউৰীয়ে ভিতৰত প্ৰৱেশ কৰে আৰু প্ৰায় ৪০ মিনিট সময় ধৰি বাৰ্তালাপ কৰে। তেওঁলোকে ওলাই আহি জানিবলৈ দিয়ে যে অতি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে ৰাজ্যপালে। তেওঁ কয় যে 'কা' আন্দোলন দেশত চলি থকা আজি ৫ বছৰ অতিক্ৰম কৰিলে। চৰকাৰে দেশত 'কা' আইন বলৱৎ পৰ্য্যন্ত কৰিলে। অথচ অসমৰ কোনো এজন ব্যক্তিয়ে, কোনো এটা সংগঠনে এই আইন নামানে। তাৰ পাছটো আজিকোপতি কোনো এটি সংগঠনে ৰাজ্যপালক সাক্ষাৎ কৰা নাই বা স্মাৰক পত্ৰ দিয়া নাই। তেওঁ আৰু কয় যে অসমৰ জনগণৰ মনৰ কথা তেওঁ বুজি পায়। আৰু এটি কথা উনুকিয়াই দি তেওঁ কয় যে সংসদত গৃহীত হ'লেও এই আইন বাতিল কৰিব পৰা যায়। ইয়াৰ প্ৰমাণ কৃষি আইন। উল্লেখ থাকে যে যোৱা ২৭/০৩/২০২৪ তাৰিখে 'কা' বিৰোধী জাতীয় মঞ্চ অসমে গুৱাহাটীত এখন অতি গুৰুত্বপূৰ্ণ নাগৰিক সভা আহ্বান কৰিছে বুলি আমাক জানিবলৈ দিয়ে।

# কেজৰিৱলৰ গ্ৰেপ্তাৰক জাতীয় পৰিষদৰ গৰিহণা



ৰঙিলী বাৰ্ত্তাসেৱা- আম আদমি পাৰ্টীৰ সভাপতি তথা দিল্লীৰ মুখ্য মন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰক গৰিহণা দিয়ে অসম জাতীয় পৰিষদ দলে। দলৰ সভাপতি লুৰীনজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই এক বিবৃতিত কয় যে বিজেপি দলৰ কেন্দ্ৰীয় চৰকাৰে ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি কেজৰিৱলক গ্ৰেপ্তাৰ কৰোৱাইছে। এয়া নিৰ্বাচনৰ পূৰ্বে বিৰোধীক নিৰস্ত্ৰ কৰাৰ এক নিকৃষ্ট কৌশলৰ বাহিৰে আন একো নহয়। ইফালে দেশৰ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ বেংক একাউণ্ট ছীল কৰোৱা আৰু আনহাতে কেজৰীৱলক ইডিৰ দ্বাৰা গ্ৰেপ্তাৰ কৰোৱা দুয়োটা কাৰ্যৰ জৰিয়তে কেন্দ্ৰৰ বিজেপি চৰকাৰে নিজৰ নিচ একনায়কবাদি নীতি প্ৰকাশ কৰিছে। পুনৰ কেন্দ্ৰত চৰকাৰ গঠনৰ সুযোগ পালে এই দলে দেশৰ সংবিধানখনক যে হত্যা কৰিব, ই তাৰ আগজাননী বুলি গগৈ আৰু ভূঞাই মত প্ৰকাশ কৰি কয় যে এইবাৰ যদি ৰাইজে বিজেপিক ক্ষমতাৰ পৰা আঁতৰাই নপথিয়ায় তেনেহলে দেশত একনায়কবাদ প্ৰতিষ্ঠা হোৱাটো নিশ্চিত।

# লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰে আমবাৰীত অগপ- বিজেপি মুখপাত্ৰৰ যৌথ সভা



ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত লোকসভা নিৰ্বাচনৰ বাবে পূৰ্ণপ্ৰস্তুতি অব্যাহত ৰাখিছে মিত্ৰজোঁটৰ দল অগপ, বিজেপি ইউ পি পি এল দলে। অগপৰ আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত অগপ আৰু বিজেপিৰ মুখপাত্ৰসকলৰ এখন যৌথ সভা অনুষ্ঠিত হয়। সভাখন পৰিচালনা কৰে অসম গণ পৰিষদৰ সাধাৰণ সম্পাদক মনোজ শইকীয়াই। সভাৰ আৰম্ভণিতে দুয়োটা দলৰ মুখপাত্ৰসকলক অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই শুভেচ্ছা জনোৱাৰ লগতে আগন্তুক লোকসভা নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ সক্ৰিয়তাৰে সকলো ধৰণৰ প্ৰচাৰ কাৰ্যত জড়িত হ'বলৈ আহ্বান জনায়। আগন্তুক লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সংবাদ মাধ্যমৰ জৰিয়তে জনসাধাৰণৰ সৈতে সম্পৰ্ক অধিক বৃদ্ধি কৰি চৰকাৰৰ বিভিন্ন কাম-কাজৰ খতিয়ান ৰাইজক অৱগত কৰোৱা আৰু এনডিএ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক জয় নিশ্চিত কৰোৱাত দলীয় মুখপাত্ৰসকলে ল'বলগীয়া কেতবোৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আজিৰ সভাত আলোচনা কৰা হয়। বিশেষকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সুদুৰপ্ৰসাৰী নেতৃত্বত ৰাজ্য চৰকাৰে প্ৰৱৰ্তন ও কাৰ্যকৰী কৰা

(দহ পৃষ্ঠাত চাওক)

# সদৌ অসম কেন্দ্ৰীয়, অৰ্ধ কেন্দ্ৰীয় কৰ্মচাৰীৰ অধিৱেশন



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী উজান বজাৰস্থিত আছুৰ মুখ্য কাৰ্য্যালয় শ্বহীদ ন্যাসত সদৌ অসম কেন্দ্ৰীয়, অৰ্ধ কেন্দ্ৰীয় কৰ্মচাৰীয়ে তেওঁলোকৰ আগন্তক ১৭ তম দ্বিবাৰ্ষিক অধিৱেশন সন্দৰ্ভত ভাৰপ্ৰাপ্ত সভাপতি লক্ষ্মী কান্ত ডেকাৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত কৰে। উক্ত সভাত তেওঁলোকৰ ১৭ তম দ্বিবাৰ্ষিক অধিৱেশন পৰিচালনা কমিটী গঠন হোৱাৰ উপৰি সদৌ অসম কেন্দ্ৰীয়, অৰ্ধ কেন্দ্ৰীয় কৰ্মচাৰীৰ সম্পাদক মাধৱ কুমাৰ হাজৰিকাই কয় যে যিহেতু সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত এই সন্থাৰ ১৯৮০ চনত জন্ম হৈছিল গতিকে সদৌ অসম ছাত্ৰ সন্থাই অসমৰ হৈ যি কাৰ্য্য ব্যৱস্থা হাতত লয় তাত এই সন্থাই পূৰ্ণ সহযোগিতা আগবঢ়াই যাব। উক্ত সভাত সভাপতি লক্ষ্মী কান্ত ডেকা, সম্পাদক মাধৱ কুমাৰ হাজৰিকা, নৰ্থ ইষ্ট কেঞ্চাৰ হাস্পতালৰ সঞ্চালক গণেশ

(দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ বৰবৰুৱা ছ্যুকাফা ভৱনত টাই আহোম যুৱ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত মোমাই তামুলী বৰবৰুৱা বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন




ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় জিলাৰ বৰবৰুৱাৰ ছ্যুকাফা ভৱনত যোৱা ১৭ মাৰ্চত "টাই আহোম যুৱ পৰিষদ" ৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত, জিলা সমিতিৰ অন্তৰ্গত আঞ্চলিক সমিতি আৰু ডিব্ৰুগড়বাসীৰ সহযোগত। মোমাই তামুলী বৰবৰুৱা বঁটা প্ৰদান অনুষ্ঠান ২০২৪ দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে টাই আহোম ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি যাদৱ কোঁৱৰে পতাকা উত্তোলন, মৈদাম তৰ্পণ কৰে। 'টাইপা'ৰ জিলা যুটীয়া সম্পাদক জিণ্টু দিহিঙীয়াই চাওলুং ছ্যুকাফাৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পণ কৰাৰ পিছত বন্তিপ্ৰজ্বলন কৰে টাইপা ডিব্ৰুগড় জিলা সমিতিৰ কাৰ্যকৰী সভাপতি দীপাংকৰ দুৱৰাই। "মোমাই তামুলী বৰবৰুৱা বঁটা" প্ৰদান অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত মুকলি সভাৰ প্ৰাৰম্ভিকতে মোমাই তামুলী বৰবৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু বন্তি প্ৰজ্বলন কৰে টাইপা কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক দ্বীপ জ্যোতি দুৱৰাই। টাই সাংস্কৃতিক দলে মুকলি কৰা মুকলি সভাত নিদিষ্ট বক্তাৰ ভাষণত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছ্যুকাফা আসনৰ সঞ্চালক জাহ্নৱী গগৈয়ে আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই নিযুক্তি দিয়া মোমাই তামুলী বৰবৰুৱাই স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব কালত কৰ্মদক্ষ ৰাজচৰা বিষয়া উল্লেখনীয় ভূমিকা পালন কৰিছিল বুলি কয়। নিজৰ ভাষণত মোমাই তামুলী বৰবৰুৱাই নিজৰ দক্ষতা, প্ৰতিভা আৰু গুণসম্পন্ন বিষয়া ৰূপে আগবঢ়োৱা অৱদানৰ ওপৰতো তেওঁ আলোকপাত কৰে। সভাত টাই আহোম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামুলীয়ে নিজৰ ভাষণত আহোম স্বৰ্গদেউ প্ৰতাপ সিংহৰ শাসনকালত ৰজাঘৰীয়া পদবী অৰ্জন কৰি মোমাই তামুলী বৰবৰুৱাই নিজৰ কৰ্মদক্ষতাৰে আৰু সুচাৰুৰূপে দায়িত্ব পালন কৰাৰ

(দহ পৃষ্ঠাত চাওক)

# চান্দমাৰিত প্ৰথিতযশা সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱাক "পৰাগজ্যোতি প্ৰকাশন"ৰ পৰা সম্বৰ্দ্ধনা

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ প্ৰথিতযশা সাংবাদিক, চিন্তাবিদ, অনুবাদক, "দি চেনণ্ট্ৰিনেল" কাকতৰ প্ৰাক্তন সম্পাদক, পদ্মশ্ৰী প্ৰাপক ধীৰেন্দ্ৰ নাথ বেজবৰুৱাক "পৰাগজ্যোতি প্ৰকাশন"ৰ তৰফৰ পৰা মহানগৰীৰ চান্দমাৰিস্থিত নিজ বাসভৱনত সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। ফুলাম গামোচা, চেলেং চাদৰ, কিতাপৰ টোপোলা, মানপত্ৰ আদিৰে সম্ভাষণ জ্ঞাপন কৰে পৰাগজ্যোতি প্ৰকাশনৰ হৈ অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব অঞ্জন শৰ্মা, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক, "সাহিত্যকোঁৱৰ" কমল কলিতা, অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটীৰ



অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বোলছৱি পৰিচালক অৱনী ৰঞ্জন পাঠক, বিশিষ্ট গীতিকাৰ- অৱসৰী প্ৰশাসনীয় বিষয়া শচীন দাস প্ৰভৃতিয়ে। প্ৰকাশনৰ সচিব, সাংবাদিক দীপক শৰ্মাই আঁত ধৰা অনুষ্ঠানত বক্তব্য দাঙি ধৰি বৰ্ষীয়ান সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱাই কয়- "বৰ্তমান সময়ত সুষ্ঠ-সত্য সংবাদ পৰিৱেশনৰ অভাৱ ঘটিছে। ই বৰ দুৰ্ভাগ্য। সাম্প্ৰতিক সময়ত অসম ৰাজ্যত ডেকা চামৰ মাজত উৎসাহ-উদ্দীপনা হ্ৰাস পাইছে। প্ৰেৰণা যোগোৱা মানুহৰো অভাৱ। নতুন প্ৰজন্মক ইতিবাচক চিন্তাৰে আগুৱাই লৈ যোৱাৰ বাবে অগ্ৰজসকলে চিন্তা কৰিব লাগে।" অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব অঞ্জন শৰ্মাই কয়- "আজিৰ সময়ত একাংশ নতুন প্ৰজন্মৰ মাজত নৈতিক স্খলন ঘটিছে। সেয়েহ, জ্যেষ্ঠ সাহিত্যিক, সাংবাদিক, শিল্পী, বুদ্ধিজীৱীসকলে ন-প্ৰজন্মক সঠিক দিশৰ বাট দেখুৱাব লাগে। ধীৰেন্দ্ৰ নাথ বেজবৰুৱা আমাৰ সকলোৰে আদৰ্শ স্বৰূপ।" সাহিত্যিক পেন্সনাৰ কমল কলিতাই কয়- "দিগগজ সাংবাদিক বেজবৰুৱা চাৰৰ চিন্তা সুদূৰ প্ৰসাৰী। মহানুভৱ চিন্তাধাৰাৰ অধিকাৰী।" বোলছৱি পৰিচালক অৱনী ৰঞ্জন পাঠকে কয়- "সকলোৰে বাবে আদৰ্শ স্বৰূপ বেজবৰুৱা চাৰ। চাৰৰ বিশাল ব্যক্তিত্বই সকলোকে সন্মোহিত কৰে।" গীতিকাৰ শচীন দাসে কয়- "বেজবৰুৱা চাৰে দি চেণ্ট্ৰিনেল কাকতত লিখা সম্পাদকীয়বোৰ আজিও সেউজ হৈ আছে।" সাংবাদিক দীপক শৰ্মাই কয়- "আজীৱন সাংবাদিক, চিন্তাবিদ বেজবৰুৱাৰ ওখ ব্যক্তিত্বই সকলোকে সন্মোহিত কৰে। তেওঁৰ চিন্তা সুদূৰ প্ৰসাৰী।"

# ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে ডিব্ৰুগড় জিলা নিৰ্বাচনী বিষয়াৰ বৈঠক




ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক লোকসভা নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰিবৰ বাবে ডিব্ৰুগড় জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী বিভাগে নিৰ্বাচন সংক্ৰান্তিয় কাম-কাজৰ ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। লোকসভা নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে বিভিন্ন কোষ গঠন কৰি ডিব্ৰুগড়ৰ জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীয়ে প্ৰতিটো কোষকে নিষ্ঠা সহকাৰে নিজ নিজ দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিছে। ১৬ মাৰ্চত ভাৰতীয় নিৰ্বাচনী আয়োগে দেশৰ লোকসভা নিৰ্বাচনৰ ভাটেগ্ৰহণৰ তাৰিখ নিৰ্ধাৰণ কৰাৰ পাছতে ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত নিৰ্বাচনী আৰ্হি আচৰণ বিধি সম্পৰ্কত এখনি জৰুৰী সভা অনুষ্ঠিত হয়। বৈঠকত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক ভাৰতৰ নিৰ্বাচন আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগেই বলৱৎ হোৱা আৰ্হি আচৰণ বিধি মানি চলা সন্দৰ্ভত ব্যাখ্যা আগবঢ়োৱা হয়। ৰাজনৈতিক দলসমূহে মানি চলিবলগীয়া নীতি-নিৰ্দেশনা আৰু ৰাজনৈতিক দলসমূহৰ নিৰ্ধাৰিত ব্যয় সন্দৰ্ভতো সভাত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়োৱা হয়। আনহাতে নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘনৰ ঘটনা যাতে সংঘটিত নহয় তাৰ প্ৰতি সজাগ হ'বলৈ ৰাজনৈতিক দলসমূহৰ প্ৰতি জিলা আয়ুক্ত গৰাকীয়ে আহ্বান জনায় লগতে জিলা আয়ুক্তগৰাকীয়ে ভাৰতৰ নিৰ্বাচন আয়োগে দিয়া ৰাজনৈতিক দলসমূহে মানি চলিবলগীয়া নিৰ্দেশনাসমূহ বিতংভাৱে অৱগত কৰে। তেওঁ সমাজত বিভাজন সৃষ্টিকাৰী

*(দহ পৃষ্ঠাত চাওক)*

# চানমাৰি নিৰমায় ভৱনত "জ্ঞানজ" উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্যতম শাখা "সন্মিলিত মধ্য গুৱাহাটী লেখিকা সমাৰোহ"ৰ উদ্যোগত চানমাৰীৰ 'নিৰাময় ভৱন'ত অনুষ্ঠিত হয় এক মননশীল অনুষ্ঠান। উল্লেখযোগ্য যে নাৰী দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত অনুষ্ঠাটিৰ আৰম্ভণিতে পদ্মশ্ৰী ডঃ শীলা বৰঠাকুৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কামৰূপ জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী কমলা উজীৰে আৰু পুষ্পাঞ্জলি নিবেদন কৰে সন্মিলিত মধ্য গুৱাহাটী লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ছৈয়দা আঞ্জুম আৰা হুছেইনৰ, লগতে সভাত উপস্থিত সকলো সদস্যবৃন্দই । ইপিনে শাখাৰ সভানেত্ৰী ছৈয়দা আঞ্জুম আৰা হুছেইনৰ সভাপতিত্ব অনুষ্ঠিত সভাখনি বৰগীতেৰে শুভাৰম্ভ কৰে বন্দনা কলিতাই । শাখাৰ সম্পাদিকা নিৰ্মিতা বৰগোহাঁইয়ে আঁত ধৰা সভাখনিত ইন্দু বৰুৱাই সম্পাদিত "জ্ঞানজ" শীৰ্ষক নামৰ তিনিমহীয়া পত্ৰিকাখনিৰ প্ৰথম সংখ্যাটি উন্মোচন কৰে কমলা উজীৰে উক্ত অনুষ্ঠানতে উজীৰে ৰুমা ভট্টাচাৰ্যৰ কাব্যগ্ৰন্থ "সুবাসিত প্ৰেম" উন্মোচন কৰে। নিজৰ উন্মোচনী ভাষণত উজীৰে "জ্ঞানজ" পত্ৰিকাখনি প্ৰকাশৰ বাবে সন্মিলিত মধ্য গুৱাহাটী লেখিকা সমাৰোহ সমিতিৰ

*(দহ পৃষ্ঠাত চাওক)*

# অসম নাগৰিক সমাজৰ ৰাজহুৱা সভা আৰু সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- অসম নাগৰিক সমাজৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাত নাগৰিক সমাজৰ সভাপতি তথা ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই কয় যে ৰাইজে আগন্তুক লোকসভা নিৰ্বাচনত ভোট প্ৰদান কৰাৰ আগতে আকৌ এবাৰ ভাবি চাওক। কিয়নো ৰাজ্যত বানপানী আৰু গৰা খহনীয়াৰ সমস্যা, আশা কৰ্মী, অংগনবাড়ী কৰ্মী, টেট শিক্ষকৰ সমস্যা, নতুন পেঞ্চন নীতিক লৈ কৰ্মচাৰীৰ আন্দোলন, থলুৱা নিযুক্তিৰ প্ৰসংগ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ স্বতন্ত্ৰতা নোহোৱা হোৱা, শিক্ষা, মূল্যবৃদ্ধি, কৰ্মসংস্থান ইত্যাদি এশ এবুৰি সমস্যাৰে ৰাজ্য বৰ্তমান লাখ কোটি টকাৰ ধৰুৱা। তেওঁ কয়- ভাৰতীয় ষ্টেট বেংকে সদৰি কৰা বণ্ডৰ তালিকাত প্ৰকাশ পাইছে বিজেপি চৰকাৰৰ স্বেচ্ছাচাৰিতা। গতিকে তেওঁলোকে ৰাইজলৈ আহ্বান জনায় যাতে ভাবি চিন্তি চাই ৰাইজে বিবেক ভোট প্ৰদান কৰে। আজিৰ এই সভাত অজিত কুমাৰ ভূঞাৰ উপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডঃ আব্দুল মান্নান, নাগৰিক সমাজৰ সম্পাদক পৰেশ মালাকৰ, সমাজকৰ্মী শঙ্কৰ শইকীয়া, সবিতা লহকৰ, গুৱাহাটীৰ চাৰ্চ মেনন বৰণ শিলকে আদি কৰি কেইবাজনো বিশিষ্ট ব্যক্তি থাকে।

# এবিভিপিৰ সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক সম্পাদক হেৰম্ভ মহন আৰু পৰিষদৰ ৰাজ্যিক যুটীয়া সাংগঠনিক সম্পাদক সীমান্ত কুমাৰ বৈশ্যই পৰিষদৰ উলুবাৰীৰ বৰঠাকুৰ মিল ৰোডৰ আশ্ৰয় এপাৰ্টমেণ্টৰ (বি৩)ৰ এবিভিপিৰ মুখ্য কাৰ্যালয়ত এখন সংবাদ মেল অনুষ্ঠিত কৰে। উল্লেখ থাকে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি কে বি প্ৰেক্ষাগৃহত এবিভিপিয়ে আগতীয়াকৈ প্ৰেক্ষাগৃহ বুক কৰি 'ছাত্ৰ নেতা সন্মিলন' অনুষ্ঠিত কৰিছিল। উক্ত কাৰ্যসূচী চলি থকাৰ সময়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আছু আৰু এন এছ ইউ আই গোটে প্ৰথম অৱস্থাত প্ৰেক্ষাগৃহত সোমাবলৈ বাধা প্ৰদান কৰাৰ উপৰি এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়াৰ উপৰি পৰিষদৰ বেনাৰ, পোষ্টাৰ ফালি চিৰি জুই লগাই পুৰি পেলাই এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। সম্পাদক হেৰম্ভ মহনে দাবী কৰি কয় যে বিশ্ববিদ্যালয় চৌহদত আছুৰ কাৰ্য্যালয় স্থাপন কেনেকৈ সম্ভৱ হ'ল ? যদি আছুৰ কাৰ্য্যালয় থাকিব পাৰে তেন্তে অইন জন গোষ্ঠীৰও চৌহদত কাৰ্য্যালয় স্থাপন কৰাৰ অনুমতি প্ৰদান কৰক। তেওঁ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক জগৰীয়া কৰি কয়, উপাচাৰ্য আৰু পঞ্জীয়কো ইয়াত জৰিত আছে। কিয়নো বাৰে বাৰে অনুৰোধ কৰা স্বত্বেও কৰ্তৃপক্ষই পুলিচ প্ৰশাসনক খবৰ দিয়া নাছিল। বিশ্ববিদ্যালয় প্ৰশাসনকো তেওঁ এই ষড়যন্ত্ৰত চামিল থকা বুলি সন্দেহ প্ৰকাশ কৰে। উক্ত সংবাদ মেলত সম্পাদক আৰু যুটীয়া সম্পাদকৰ উপৰি সাংগঠনিক সম্পাদক বিপুল ৰাভা, বি বৰুৱা কলেজৰ আলোচনী সম্পাদিকা চয়নিকা পাঠক, চানমাৰী শাখাৰ কাৰ্যকৰ্তা ভৈৰৱী কলিতা উপস্থিত থাকে।

# আৰ্য মহাবিদ্যালয়ত অপ্ৰীতিকৰ পৰিস্থিতি

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ত এ বি ভি পিৰ ছাত্ৰ নেতা সন্মিলনত হোৱা উত্তপ্ত পৰিস্থিতিৰ ঘটনাক লৈ আৰ্য মহাবিদ্যালয়ত এ বি ভি পিৰ ছাত্ৰ একতা সভাৰ সভাপতি সুৱৰ্ণ নাথ আৰু সম্পাদক জাহ্নু বৰাৰ নেতৃত্বত প্ৰায় ২০/২৫ জনীয়া দল এটাই আছু গোটৰ মহাবিদ্যালয়ৰ স্নাতক বৰ্ষৰ ভৱেশ শৰ্মা আৰু পাৰ্ভিছ আলম নামৰ দুজন ছাত্ৰক বেয়াকৈ মাৰধৰ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষৰ উপস্থিতিত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে যদিও কোনোবাই ভৰলু থানাত খবৰ দিয়াত আৰক্ষীৰ লোক আহি পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰে বুলি বিশেষ সূত্ৰে জানিব পৰা যায়। ইয়াক লৈ চেপা উত্তেজনাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

# সৌন্দৰ্য্য, আনন্দ, আধ্যাত্মিকৰ সমন্বয়- হোলী বা দৌল উৎসৱ

শুকান বতাহজাকে
পাতবোৰ উৰুৱাই নিয়ে
ৰাংঢালি চৰাইবোৰে গছৰ ডালত
পৰি
জুনুকাৰ জুনজুননিত
সাৰ পায় কুঁহিপাতে
ৰাতিপুৱাই আলিবাটত

খোজ দিওঁতে শুকান সৰাপাতৰ খচমচ শব্দই মনটোক জোকাৰি থৈ গ'ল ফাগুন আহিছে বুলি। জকেমকাই ফুলি থকা শিমলুবোৰেও ইংগিত দিছে ফাগুন আহিছে। সঁচাকৈয়ে এয়া ফাগুনৰ বতৰ। চঞ্চলা ফাগুনে কাৰোবাৰ আচল উৰুৱাই লৈ যায়, কাৰোবাৰ গাত মৰমেৰে সানি দিয়ে ধূলিৰ প্ৰলেপ। সকলোতে এতিয়া ফাগুনৰ উন্মনা বতৰ। ফাগুন আহিছে জীৱন বনৰ ডালে ডালে কোঁহ মেলি ফাগুন আহিছে। ফাগুনৰ এই মন উতলা কৰা মাদকতাময় পৰিৱেশৰ মাজতে আবিৰৰ ৰঙা, নীলা, বেঙুনীয়া ৰঙবোৰে প্ৰতিগৰাকী হৃদয়বান মানুহৰ মনত ক'ব নোৱাৰাকৈয়ে জগাই তোলে এক অবুজ শিহৰণ। ফাকুঁৱা তথা দৌলউৎসৱৰ আগমনে আবিৰৰ ৰঙবোৰৰ দৰেই প্ৰতিজন মানুহৰ হৃদয় ৰঙীন কৰি তুলিছে। ফাকুঁৱা উৎসৱ যৌৱনৰ উৎস, ৰঙ আৰু আনন্দৰ উৎসৱ। পলাশ শিমলুৰ তেজ ৰঙা ৰঙ, তলসৰা শুকান পাতৰ শব্দ, ফাকুঁগুৰিৰ ৰঙবোৰে বসন্ত অহাৰ আগজাননী দিয়ে। এই ফাকুঁৱাৰ সময়তে মতলীয়া হয় প্ৰকৃতি, কিহৰ সন্ধানত কাক বিচাৰি হাঁহাকাৰ কৰি উঠে এনেকুৱা সময়তে। থুপি থুপি প্ৰকৃতিৰ ৰূপ আৰু আবিৰৰ ৰঙৰ মাধুৰ্য্যই আকাশে বতাহে ছটিয়াই দিয়ে এই সময়তে। এই ফল্গু উৎসৱৰ সময়ত প্ৰকৃতি অপৰূপ ৰূপ সুষমাৰে জাতিস্কাৰ হৈ উঠে। ফাকুঁ গুৰি হাতত লৈ তগৰ ফুল, ৰ্বাব টেঙাৰ গছৰ তলেৰে পাৰ হৈ যাওঁতে এইবোৰৰো যে ইমান সুগন্ধি থাকে তেতিয়াহে উপলব্ধি কৰিব পাৰি।

ফাগুনৰ বুকুতে লুকাই থাকে সৃষ্টিৰ প্ৰতিশ্ৰুতি আৰু আছে জীৱন আৰু প্ৰকৃতি কিমান অন্তৰংগ তাৰ উপলব্ধি। ৰ'দ জিলমিল আকাশৰ তলেদি ফাকুঁগুৰি হাতত লৈ ছটিয়াই ছটিয়াই উপলব্ধি কৰিব পাৰি জীৱন আৰু সৃষ্টিৰ সুন্দৰতা। ৰঙ আৰু আনন্দৰ উৎসৱ ফাঁকুৱাৰ লগত আধ্যাত্মিক ভাবটোও নিহিত হৈ পৰিছে। কেৱল অসমতেই নহয়, ভাৰতৰ চুকে কোণেও এক সাৰ্বজনীন আনন্দৰ উৎসৱৰূপে সমাদৃত হৈ আহিছে 'হোলী' বা 'ফাকুঁৱা' উৎসৱ। অসমৰ সত্ৰনগৰী বৰপেটাত এই ফাকুঁৱা উৎসৱৰ এক সুকীয়া, মৰ্য্যাদা, ঐতিহ্য, গৰিমা আৰু স্বকীয় আকৰ্ষণ আছে। এই আকৰ্ষণৰ মূলতেই আছে উৎসৱটোৰ লগত সাঙোৰ খাই থকা পৰম্পৰাগত ঐতিহ্যৰ চাপ, আনুষংগিক সাংস্কৃতিক উপাদানৰ বৈভৱ। এহাতে গুৰুগম্ভীৰ ৰূপত পালিত হোৱা ধৰ্মীয় উৎসৱসমূহৰ ভিতৰত দৌলউৎসৱ এক সাৰ্বজনীন উৎসৱ। এই পবিত্ৰ উৎসৱৰ সময়ত মানুহে আবিৰৰ বোল সানি সানি হোলী গীতৰ তালে তালে মিলি যায় আনন্দলোকৰ সতে। মহামিলনৰ পীঠস্থান বৰপেটাৰ দৌলউৎসৱ অসমৰ ইতিহাসৰ এক চিৰাচৰিত ৰূপ। বসন্তৰ প্ৰথম পৰশতেই ফাগুনৰ আঁচলত ধৰি উৰি উৰি অহা এই দৌলউৎসৱ সমগ্ৰ বৰপেটাৰ বাবে গৌৰৱময় পৰম্পৰা। এই দৌলৎসৱ



**মানসী মিশ্ৰ**

অসমৰেই হৈ থকা, অসমৰ চাৰিসীমাতেই আবদ্ধ নহয় এই উৎসৱ। বৰপেটাৰ দৌল উৎসৱ এক সৰ্বভাৰতীয় পৰ্য্যায়ৰ উৎসৱ ৰূপে স্বীকৃতি লাভ কৰিছে। শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ সমগ্ৰ ঐশ্বৰিক শক্তিৰে প্ৰতিষ্ঠা কৰা অন্যান্য পীঠস্থান সমূহতো দৌল উৎসৱৰ একেই সমাহাৰ, একেই আনন্দ। বৰপেটাৰ দৌলউৎসৱ আয়োজনৰ মাদকতাই সুকীয়া। ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰাও হেজাৰ হেজাৰ ভক্ত প্ৰাণ লোকৰ আগমন ঘটে। বৰ্তমান সময়ত বৰপেটাৰ দৌলৎসৱক কেন্দ্ৰবিন্দু হিচাপে লৈ বিদেশী পৰ্য্যটকবো আগমন ঘটিবলৈ লৈছে। আতচবাজীৰ পোহৰত সমগ্ৰ বৰপেটা চহৰত এক নান্দনিক পৰিৱেশৰ সৃষ্টি হয়। আকাশে বতাহে হোলীৰ ৰঙেৰে উদ্ভাষিত হৈ উঠে বৰপেটা চহৰ। ইয়াৰোপৰি দৌলৎসৱৰ লগত প্ৰাণস্পৰ্শী হোলী গীতবোৰৰ এক অংগাংগী সম্পৰ্ক আছে। এই গীতসমূহে আকাশবতাহ মুখৰিত কৰি তোলে। হোলী গীতৰ সুৰৰ মূৰ্চ্ছনাই প্ৰতিজন লোকৰ হৃদয়ৰ কোঁহে কোঁহে স্পৰ্শ কৰি যায়। এইসমূহ অসমীয়া লোক সাহিত্য আৰু সংস্কৃতিৰ অন্যতম আধাৰ। ইয়াত নিহিত হৈ থকা আধ্যাত্মিক ভাৱৰ গভীৰতা ইমান বেছি যে হোলীগীত দৌলৎসৱৰ আনন্দ, আধ্যাত্মিকতা, সৌন্দৰ্য্যত এক সুকীয়া মাত্ৰা প্ৰদান কৰে।

আজি ৰঙে ৰঙে একাকাৰ
আহা ভাই খেলো হোলী
মিলি সবে প্ৰাণে প্ৰাণ
আজি ৰঙে ৰঙে একাকাৰ
বৰপেটা ৰবধামে! চৌদিশে
ফাকুঁ উৰে
আবিৰ চন্দন বন্দনাত আজি
ৰঙে ৰঙে একাকাৰ

এই হোলী বা ফাকুঁৱা এক ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ উৎসৱ। আমাৰ ৰাষ্ট্ৰখনৰ প্ৰায় সকলো প্ৰান্তৰ লোকে 'হোলী' বা আনন্দ উৎসৱত মিলিত হয়। ঠিক একেদৰেই আমাৰ ৰাজ্যখনত বৰপেটাৰ উপৰিও উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰী দৌল গোবিন্দ মন্দিৰ, বৰদোৱা থান, মাজুলী, সৰভোগৰ গৰখীয়া গোসাই থান আদিত উলহ মালহেৰে হোলী উদযাপন কৰা হয়। বৰদোৱা থানৰ দুখন ঐতিহ্যপূৰ্ণ সত্ৰ শ্ৰী শ্ৰী নৰোৱা সত্ৰ আৰু শ্ৰী শ্ৰী শলগুৰি সত্ৰত ফাগুনৰ পূৰ্ণিমা তিথিত উলহমালহেৰে ৰঙৰ উৎসৱ পালন কৰে। ফাকুঁৱাৰ সময়ত এই স্থান সমূহ পৰিণত হয় মহামিলনৰ তীৰ্থত। সমগ্ৰ ৰাজ্যৰ কিশোৰ কিশোৰী, ডেকা গাভৰুৰ পৰা কণ কণ শিশু সকলো সমবেত হয় এই মহামিলনৰ সমন্বয়স্থলীত। প্ৰতিবছৰে ফাগুনৰ দৌলপূৰ্ণিমাত উদযাপিত এই ফাকুঁৱা উছৱ আনন্দ উছৱ, ৰঙৰ উছৱ। দুদিনৰ পৰা চাৰি/পাঁচদিনীয়া কাৰ্যসূচীৰে আয়োজিত উৎসৱে মানুহক যে কেৱল আনন্দই দিয়ে এনে নহয়। আধ্যাত্মিকভাৱেৰো সৃষ্টি হয় আৰু লগতে ভিন্নজনগোষ্ঠীৰ মানুহৰ মাজত সমন্বয় সাধনতো সহায় কৰে। শিশুৰ পৰা যুৱক, বৃদ্ধ সকলো পৰ্য্যায়ৰ লোকে এই আনন্দৰ উৎসৱত মতলীয়া হয় সেইবাবে উছৱৰ দিন কেইটা যাতে

( ছয় পৃষ্ঠাত চাওক)

# ভক্তি, প্ৰেম আৰু ৰং ৰ সমাহাৰেই ফাকুৱা

**মঞ্জু কাকতি, শুৱালকুছি**

ভক্তি, আধ্যাত্মিক চেতনা, ৰং আৰু আনন্দৰ অপূৰ্ব সমাহাৰ শ্ৰীকৃষ্ণৰ দৌল যাত্ৰা মহোৎসৱ। ৰঙে-ৰসে একাকাৰ হৈ বিভিন্ন কাৰ্যক্ৰমৰে উদযাপন কৰা হেঁপাহৰ উৎসৱ হোলী বা ফাকুৱা। এই উৎসৱ সমগ্ৰ ভাৰততে উদযাপন কৰা আৰু বিভিন্ন নামেৰে পালন কৰা হয়। যেনে- হোলী, ফাকুৱা, ফলগু উৎসৱ, মদনোতসৱ, বসন্তোতসৱ, হোলিকা দাহন আৰু দেউল ইত্যাদি। এই উৎসৱ ফাগুন বা চ'ত মাহৰ পূৰ্ণিমা তিথিত পালন কৰা হয়। পৌৰাণিক তথ্যৰ মতে এই উৎসৱৰ বহুতো পৌৰাণিক কাহিনী আছে তাৰ ভিতৰত এটা হৈছে -হিৰণ্য কশিপুৱে পুত্ৰ প্ৰহ্লাদক হত্যা কৰিবলৈ কন্যা হোলিকাক আদেশ দিছিল। সেই আদেশ পালনৰ অৰ্থে হোলিকাই যেতিয়া নিজৰ গাত জুই লগাই প্ৰহ্লাদক হত্যাৰ চেষ্টা চলায় তেতিয়া নিজেই মৃত্যুমুখত পৰে। মৃত্যুৰ আগমুহূৰ্তত হোলিকাই নিজৰ ভুল স্বীকাৰ কৰি প্ৰহ্লাদৰ ওচৰত ক্ষমা ভিক্ষা মাগে। ভক্ত প্ৰহ্লাদে হোলিকাক মুৰ চুই ক্ষমা কৰি বছৰত অন্ততঃ এবাৰ হোলিকাক মনত পেলাব বুলি বৰ দান কৰে। সেই অনুপাতে কোনো কোনো ঠাইত আজিও ফাকুৱাৰ আগদিনাই হোলিকাক দাহ কৰা প্ৰথা চলি আহিছে।

লোকবিশ্বাস মতে হোলী বা ফাকুৱাৰ আৰম্ভণি শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰাৰ পৰাই হৈছিল। সৰু হৈ থাকোতে কৃষ্ণৰ গাৰ ৰং ক'লা আৰু ৰাধাৰ গাৰ ৰং বগা হোৱা বাবে মাতৃ যশোদাৰ আগত প্ৰায়ে বেজাৰ কৰিছিল। সেয়ে যশোদা আয়ে ৰঙেৰে ৰাধাৰ ৰং সলোৱাৰ উপায় দিছিল আৰু সেই উপায় অনুসৰি কৃষ্ণই ৰাধাক ৰং সানিছিল আৰু তেতিয়াৰ পৰাই শ্ৰীকৃষ্ণই ৰাধাৰ সৈতে অন্যান্য গোপী সকলৰ লগত পূৰ্ণিমাত বৃন্দাবনত খেলা পৰ্বটোকেই এতিয়াও উৎসৱ হিচাপে পালন কৰি ইজনে সিজনক ৰঙৰ সুবাস দিয়ে।

অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই উৎসৱৰ প্ৰথম পাতনি মেলে। অসমত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কালচোৱাত এই উৎসৱৰ জৰিয়তে সমাজৰ উচ্চ-নীচ সকলো স্তৰৰ লোককে একত্ৰিত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ আৰম্ভ কৰা এই উৎসৱ আজিও বিভিন্ন সত্ৰ সমুহত উলাহ -মালহেৰে পালন কৰা দেখা গৈছে। উদাহৰণস্বৰূপে বৰপেটাৰ দৌল উৎসৱ লেখত লবলগীয়া। সেই পৰিক্ৰমাৰ সময়চোৱাৰ পৰাই বৰ্তমানলৈকে দেখা গৈছে যে অগনন ভক্ত-দৰ্শনাৰ্থীৰ হৃদয়ত সঞ্চাৰিত হয় ভকতিৰ ফল্গুধাৰা। চৌদিশে প্ৰতিধ্বনিত হয় হৰিনামৰ ধ্বনি আৰু



প্ৰতিগৰাকী ভক্তৰ কৰ্ণকুহৰত বাজী উঠে হোলী বা ফাকুৱাৰ গীতৰ সুৰ। সেই সুৰে সুৰে পবিত্ৰ হৈ উঠে দেহ-মন। মনে-প্ৰাণে ফাকু খেলে অবিৰাম। হোলী বা ফাকুৱা উৎসৱৰ ক্ষণ অতি মধুময়। সাতোৰঙী ৰামধেনুৰ ৰং গালে মুখে সানি পৰম উলাহ আৰু অতি হেঁপাহৰে পালন কৰক এই উৎসৱ। হিংসা পৰিহাৰ কৰি মৰমবোৰক মৰমেৰে উপচাওঁক। ফাকুৰ ৰঙেৰে ৰঙীন কৰি তোলক সমগ্ৰ পৃথিৱীক, জগাই তোলক ভাতৃত্ব বোধ সকলোৰে হৃদয়ত বৰ্তী থাকক। শ্ৰীকৃষ্ণৰ প্ৰেম -

ফাগুনৰ আকাশত নাচিছে
পূৰ্ণিমাৰ চন্দ্ৰমা
সকলোকে যাঁচিলো
হোলীৰ শুভেচ্ছা
আকাশে বতাহে উৰিছে ৰঙৰ
ফাকুৱা

যোৱা খণ্ডৰ পৰা....

# একান্ত ব্যক্তিগত ফাগুনঃ সাহিত্যৰ কেনভাচত



সংগীতা বৰুৱা, গুৱাহাটী

ফাগুন বিষাদ, শূন্যতাৰ যেন অন্য এক ৰূপ। য'ত লঠঙা গছ বিৰিষ, ধূলিময় চৌদিশ আৰু শুকান পৰিবেশ। য'ত একো নাই পূৰ্ণতা কিম্বা প্ৰাপ্তি। তাত সৃষ্টিৰ অনন্ত ঋতুৰ ৰাগিণী তুলিবলৈ একো উৎস কিম্বা আলচৰ অৱস্থিতি নাই। তেনেহলে কি ফাগুন উদাসীনতাৰ প্ৰতীক।

"সচৰাচৰ হোৱাৰ দৰে নে
কিয় আলিংগনত অৱসাদ অথবা
উদাসীনতা ?
এই পৃথিৱীৰ শীৰ্ণতাৰ উদাসীন
জীৱনত
হেজাৰযোজন কম্বুৱাতুলাৰ
কপাহী বা'
লাগিবনে কাহানিও ।
উদাস চাকনৈয়াৰ উদাসী ঢৌৰ
সৈতে
অচিনাকি সাঁতোৰ মোৰ
উদাস চিৰকাল !
আজীৱন একেলগে, ফাগুনৰ
সৈতে নে সোঁতৰ সৈতে?"

তেন্তে ফাগুন কি কেৱল দুঃসপ্ন নে অৱসাদ? ফাগুন কি ? নুসুধিবা আৰু বাৰে বাৰে। ইমানৰ পিছতো কি মই এৰিছো এই জয়গান গাবলৈ? ফাগুনক ভালপাবলৈ?

গুপুতে গোপনে এটি পৰিভ্ৰমী বনবীয়া পক্ষী উৰি আহি মোৰ বুকুৰ বৰসজাঁত বাঁহ বান্ধিলে! উদং ফাগুনক মই সুধিলোঃ

"ভালপোৱাৰ বাট কোনফালেদি?"
ফাগুনে হাঁহি মাৰি কলেঃ
"চৰাইটি সোমাল যিফালেদি!"

ফাগুনঃ মোৰ প্ৰেমৰ অন্য এটা নাম। আচলতে ফাগুন এক অনুপ্ৰেৰণা, ভালপোৱাৰ এক যাত্ৰা অথবা এক অনুশীলন। য'ত সোমাই থাকে বসন্তৰ সেউজীয়া প্ৰতিশ্ৰুতি। সম্ভৱনাৰ প্ৰতিশ্ৰুতি। শ্লেলীৰ ভাষাৰে মইও গুণগুণাই উঠিলোঁ, "O Wind, If Winter comes, can Spring be far behind" (P. B. Shelley: Odd to the West Wind)

আহঃ! পলাশ তুমি, মই
ফাগুন!
বলিয়া ফাগুনে অজানিতে
তোমাক ৰঙচুৱা কৰিলে
(নে তুমি ফাগুনক বুকুত
ফুলিব দিলা?)
বুকুত তোমাৰ শিমলু
ফুলিলেও
মই ৰঙা নহওঁ,
তুমিও জানি লোৱা
ৰাঙলী হোৱা স্বতঃপ্ৰবৃত্ত
বাসনাও কেৱল মোৰ
ফাগুনৰ নহয়
তথাপিও
ফাগুন মোৰ প্ৰেমিকৰ অন্য
এটা নাম!

ফাগুনঃ প্ৰেমৰ স্তৱক

১) আৰু সেই এটি বনবীয়া বন-নহৰুৰ সুবাস সুৱাগমণি দেহাত লগাৱে পৰা মই এটি চঞ্চল জুৰি হৈ সাগৰৰ দিশে গতি কৰিলোঁ। কুঁৰলিৰে দুহাত তিয়াই গথা শেৱালিৰ মৰহা মালাই ফাগুনৰ শুকান সৰাপাতৰ সৈতে অন্তৰংগতা স্থাপন কৰাৰে পৰা তুমি ৰঙচুৱা হোৱা মই চাই থাকিলোঁ । বুকুত যেন বহাগৰ বৰদৈচিলা অবিৰাম!

২) এদিন তুমি নজনাকৈয়ে মই তোমাৰ হৃদয় বাগিচাৰ প্ৰতিজোপা পলাশৰ ৰঙচুৱা দেহত সানি ল'ম আৰু তোমাৰ মন ফুলনিৰ একমাত্ৰ মালিনী হ'ম ।জানো মইঃ তুমিও সেই অধিকাৰ বিনাচৰ্তত মোকেই দিবা! বসন্তই ফুচফুচাই ফাগুনক এই কথা কৈ আছিল আৰু দূৰণিৰ গছজোপাত দুটিমান কুঁহিপাতে ভুমুকি মাৰি উঠিছিল!!!

**(ৰচনাত ব্যৱহৃত কবিতাৰ পংক্তিসমূহ স্বৰচিত )**

# সাহসৰ আন এক নাম পৰিচয়

সংযুক্তা দত্ত



সাহসৰ আন এটা নাম -পৰিচয়। সাহসৰ দ্বাৰাহে মানুহে পৰিচয় লাভ কৰে ।এজন সাহসী মানুহৰ সান্নিধ্যত আন দহজন সাহসী মানুহে স্থিতি লাভ কৰে। যিকোনো এটা কাম কৰিবলৈ প্ৰথমে আমাক সাহস লাগিব সাহস থাকিলেহে আমি যিকোনো কাম সহজে কৰিব পাৰোঁ। সাহস মানে হ'ল - এক সংগ্ৰাম। যি সংগ্ৰাম সদায় নিজৰ লগত সাহসেৰে কৰা হয়। সাহস ক'ৰ পৰা আহে ? কেনেকৈ আহে? কেতিয়া আহে? সেয়া কোনেও নাজানে। মাত্ৰ নিজৰ ওপৰত থকা বিশ্বাসেই মানুহৰ সাহস হৈ পৰে। মানুহক সাহস লাগে - কথা পাতিবলৈ, কাম কৰিবলৈ, কথা ক'বলৈ, ধৈৰ্য ধৰিবলৈ, আৰু সৎ পথত থাকিবলৈ। সৎ আৰু সাহসী ব্যক্তি জনে যেনেদৰে কথা ক'বলৈ ভয় নকৰে। ঠিক তেনেদৰে কাম কৰিবলৈও ভয় নকৰে । গতিকে তেওঁ সাহসেই তেওঁ পৰিচয় ।

# পানী টেঙাৰ জুতি

ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়



চাওঁতে চাওঁতে অসমীয়া বছৰটিয়ে মেলানি মাগিবৰে সময় আহি পৰিল। শীতৰ নিহালিখন আঁতৰাই লাহে-লাহে গৰমক আঁকোৱালি লৈ পানী টেঙাৰ জুতি লোৱাৰ সময়।গৰমদিন আহিলেই জিভাই পানী টেঙাৰ সোৱাদ লবলৈ বৈ থাকে।পানী টেঙা অসমীয়া সমাজৰ এবিধ থলুৱা খাদ্য। এবাৰ জুতি লোৱাৰ পাছত দ্বিতীয় বাৰলৈ এৰিবলৈ মন নাযায়। জুতি লবলৈ আগ্ৰহেৰে বৈ থাকিবলগীয়া হয়।

পানী টেঙা বাৰ মাহেই প্ৰস্তুত কৰা হয় যদিও গৰমৰ দিনত আহাৰৰ লগত পৰিৱেশন কৰাটো এক সুকীয়া সোৱাদ। চ'তৰ শেষৰ দিন দুমাহী অৰ্থাৎ গৰু বিহুৰ দিনা পঁইতা ভাতৰ লগত আলু পিটিকাৰ লগত অলপ তেল ঢালি পানী টেঙা দি পৰিৱেশন কৰা ভাতকেইটালৈ মনত পৰিলে জিভাৰ পানী ওলাই যায়। মোৰ দৰে হয়তো বহুলোকৰে পানী টেঙা বৰ প্ৰিয়। যিহেতু বিহু আহি পাইছে পানী টেঙা খাই ভালপোৱা সকলে নিশ্চয় প্ৰস্তুত কৰিব নহয় জানো। পানী টেঙা প্ৰস্তুত কৰিবলৈ সৰিয়হ বা লাই গুটি যিকোনো এবিধ হ'লেই হয়। দুয়োবিধেই উপযোগী। সৰিয়হ গুটিখিনি পোনপ্ৰথমে চফাকৈ ধুই ৰ'দত শুকুৱাই খুন্দি ল'ব লাগে। আপোনাৰ সুবিধা অনুযায়ী ঢেঁকীত, ওৰালত বা মিক্সাৰ গ্ৰাইণ্ডাৰত খুন্দি ল'ব পাৰে। আপোনাৰ ইচ্ছানুযায়ী সৰিয়হ গুটিখিনি ভাজি খুন্দিও পাৰে। একেবাৰে মিহি কৰিব নালাগে। সৰিয়হখিনি খুন্দি লোৱাৰ পাছত থেকেৰা টেঙা জুইত পুৰি পিটিকি সৰিয়হ গুড়িখিনিৰ লগত মিহলি কৰি কলপাতত বান্ধি থৈ দিব লাগে।৪/৫ দিনৰ পাছত কলপাতৰ টোপোলাটো খুলি সুন্দৰকৈ ভাতৰ লগত পৰিৱেশন কৰিব পাৰি। বৰ্তমান সময়ত থেকেৰা টেঙা সহজে পোৱা নাযায় বাবে নেমুটেঙা বা আন টেঙাও ব্যৱহাৰ কৰিব পাৰে। গৰম ভাতৰ লগত পানী টেঙা খোৱাৰ সোৱাদতকৈ পঁইতা ভাতৰ লগত খোৱাৰ আমেজেই সুকীয়া।

যিহেতু পানী টেঙা আমাৰ থলুৱা খাদ্য; আপুনি বহুদিন ধৰি জুতি লোৱাৰ পৰা বিৰত আছে, এইবাৰ বিহুতে সকলোৰে পঁইতা ভাতৰ লগত জুতি লওঁ আহক। পানী টেঙা স্বাস্থ্যৰ বাবেও উপকাৰী। য'ত কোনো ভেজাল নাই। নিৰ্ভেজালভাৱে প্ৰস্তুত কৰা হয়।

# সৌন্দৰ্য্য, আনন্দ, আধ্যাত্মিকৰ

কোনো হানি বিঘিনি নোহোৱাকৈ শান্তি পূৰ্ণভাৱে পাৰ হয় সেই ক্ষেত্ৰত সকলোৰে দায়িত্ব থাকে। হোলী বা ফাকুঁৱা আনন্দৰ উৎসৱ, ভাতৃত্বৰ উৎসৱ। গতিকে আনন্দ কৰাৰ নামত কোনো কোনোৱে বিজতৰীয়া সংস্কৃতিৰ পোহাৰ মেলি এই উৎসৱৰ গৰিমাত আঘাট নহয় তাৰ প্ৰতি সমাজ খনত বাস কৰা জ্যেষ্ঠ, কনিষ্ঠসকলো লোকেই লক্ষ্য ৰাখিব লাগে। ফাকুঁৱা নানাৰঙী আবিৰৰ হে উছৱ। কিন্তু আজি কালি বহুতেই আনন্দত আত্মহাৰা হৈয়েই নে বিকৃত ৰুচিৰ বশৱৰ্ত্তী হৈ নানা সস্তীয়া ৰং য'ত অপকাৰী দ্ৰব্য মিহলি থাকে, আলকাটৰা, ব্লিচিং পাউদাৰ আদিও মানুহৰ গাত সানি দিয়া দেখা যায়। ইয়াৰ যোগেদি উছৱৰ নিৰ্ভীক আনন্দ ম্লান হোৱাৰ লগতে মানুহৰ অসংস্কৃতিৱান মনটোৰ পৰিচয় পোৱা যায়। বহুতেই আকৌ অত্যাধিক সুৰাসেৱন কৰি মানুহৰ ঘৰত ফাকুঁ দিবলৈ আহি অথবা ৰাজহুৱা স্থানতো নানা উদভাঙালি কৰা ঘটনা বিভিন্ন ঠাইত ঘটি থাকে। ইয়াৰ ফলত তৎক্ষণাত মানুহৰ মাজত কাজিয়া পেচাল, মাৰপিটৰ সৃষ্টি হয় আৰু বহু সময়ত অনেক দুৰ্ঘটনাও সংঘটিত হয় হোলীৰ এই কেইটা দিনত। সেইবাবে আমি প্ৰতিজন ব্যক্তিয়ে ধৈৰ্য্য আৰু সংযমেৰে হোলী উছৱৰ আনন্দত বিলীন হবলৈ চেষ্টা কৰিব লাগে যাতে এই উছৱৰ ঐতিহ্য, গৰিমা সম্পূৰ্ণ অটুট ৰাখিব পৰা যায়।

এইদৰেই খেয়ালী প্ৰকৃতিৰ বুকুত প্ৰতিবছৰে অহা ফাকুঁৱা বা হোলীয়ে যাতে কেৱল আনন্দ আৰু ভাতৃত্বৰ ভাব বিলাই দিব পাৰে, সেই দিশটোৰ প্ৰতি আমি সকলোৱে সচেষ্ট আৰু সচেতন হ'ব লাগে। অসূয়া অশান্তি বিশৃঙ্খলতা আদিয়ে বহুত মানুহৰ পৰিয়াললৈ, ব্যক্তিগত জীৱনলৈ অন্ধকাৰ নমাই আনে । সেয়েহে প্ৰতিটো উৎসৱ আনন্দৰ মুহুৰ্তত সমাজত ঘটিব পৰা নেতিবাচক দিশসমূহ এৰাই চলিলেহে উৎসৱৰ মুহুৰ্তবোৰ সুন্দৰতাৰে ভৰি পৰে। ৰাজ্যখনত সকলো সত্ৰতে উলহ মালহেৰে পালন কৰা হোলী উৎসৱত আধ্যাত্মিকভাৱৰ লগতে সত্ৰৰ সুকীয়া ঐতিহ্য, পৰম্পৰা নিহিত হৈ আছে। বৰপেটাত অনুষ্ঠিত হোলী উৎসৱে আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত স্বীকৃতি লাভ কৰিছে আৰু বছৰ বছৰ ধৰি সম্প্ৰীতিৰ বাহক হিচাপে কাম কৰি আছে। আশা কৰিব পাৰি বৰপেটাৰ দৌলৎসৱে অসমীয়ালোক সাহিত্য আৰু সংস্কৃতিৰ অনন্য উপাদান হিচাপে স্বীকৃতি লাভ কৰিব।

# সুখী হোৱাৰ কিটিপ

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও



২০ মাৰ্চৰ দিনটো প্ৰতি বছৰে বিশ্ব সুখ দিৱস বা আন্তৰ্জাতিক সুখ দিৱস হিচাপে উদযাপন কৰি অহা হৈছে। সকলো সুখেৰে থাকক। কিন্তু এই সুখনো কি? সুখ দিৱস কিয় পালন কৰিব লগা হ'ল? সুখৰ কিবা বৈজ্ঞানিক সংজ্ঞা আছে নেকি? আদি এশ এবুৰি প্ৰশ্নই আমাৰ মনত দোলা দিয়ে।

অসমীয়া কাব্য জগতৰ অন্যতম 'ভাওনি কোঁৱৰ' আনন্দচন্দ্ৰ আগৰৱালাৰ "সুখ" নামৰ কবিতাটিত কবি গৰাকীয়ে সুখৰ ধাৰণা, প্ৰকৃতি আৰু লক্ষণৰ ওপৰত সুগভীৰ আত্মস্থ হৈ অনুভৱ প্ৰতিফলিত কৰিছে।

অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে
সংসাৰ সুখৰ ঠাই।

আকৌ কৈছে-

মানুহৰ সেৱা মানুহৰ পূজা
পৱিত্ৰ ব্ৰত লোৱা।

কবি গৰাকীয়ে আনৰ বাবে কিবা কৰিব পাৰিলে, আনৰ মুখত হাঁহি বিৰিঙাব পাৰিলে, মানৱসেৱা কৰি সুখ পাব পাৰি বুলি কৈছে।

সুখ নিৰ্ভৰ কৰে সন্তুষ্টিৰ ওপৰত। মানুহৰ জীৱনৰ মূল উদ্দেশ্য হৈছে সুখত থকা। এই সুখ বিচাৰি বিচাৰি মানুহে হাবাথুৰি খায়। প্ৰতিজন মানুহৰে সুখ-সমৃদ্ধি নিশ্চিত কৰাৰ বাবেই ভুটানে জাতিসংঘক এটা দিন সুখ দিৱস হিচাপে পালনৰ আহ্বান জনায়। সেই আহ্বান মৰ্মে ২০১২ চনৰ জুলাই মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ এক অধিবেশনত বছৰৰ এটা দিনত সুখ দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ২০১৩ চনৰ পৰা প্ৰতি বছৰে ২০ মাৰ্চ তাৰিখে বিশ্ব সুখ দিৱস পালন কৰি অহা হৈছে। এই দিৱসটিৰ প্ৰতিষ্ঠাতা হৈছে অৰ্থনীতিবিদ জন এলিয়েন। এই সুখ দিৱসত মুঠ ১৪৯ খন দেশৰ নিৰ্দিষ্ট কেইটামান দিশ অধ্যয়ন কৰি দেশসমূহৰ ভিতৰত সুখী দেশৰ স্থান নিৰূপণ কৰা হয়। সেই দিশ সমূহ হৈছে-

১) জনমূৰি মুঠ ঘৰুৱা উৎপাদন
২) সামাজিক সমৰ্থন
৩) প্ৰত্যাশিত স্বাস্থ্যৱান জীৱন
৪) জীৱনৰ নিৰ্ণয়সমূহ কৰাৰ স্বাধীনতা
৫) মহানুভৱতা (generosity)
৬) দুৰ্নীতিৰ প্ৰতি থকা ধাৰণা, অভাৱ বা বিশ্বাস

ৰাষ্ট্ৰসংঘই উল্লেখিত কাৰকৰ ওপৰত নিৰ্ভৰ কৰিয়েই দেশসমূহৰ সূচাংক ঘোষণা কৰে। দেখা যায় সুখী দেশৰ তালিকাত বিশ্বৰ ভিতৰতে একেলেথাৰিয়ে সৰ্বপ্ৰথম স্থান দখল কৰি আহিছে ফিনলেণ্ডে। তাৰ পিছত ক্ৰমে ডেনমাৰ্ক, চুইজাৰলেণ্ড, আইলেণ্ড, নৰৱে আদি। অতি পৰিতাপৰ কথা যে সুখী দেশৰ তালিকাত ভাৰতৰ স্থান ২০১৯ চনৰ তথ্য মতে ১৪০, ২০২০চনৰ তথ্য মতে ১৪৪ আৰু ২০২৩ চনত প্ৰকাশিত তালিকাত ১২৬ নম্বৰত আছে। দেখা গ'ল ভাৰতীয় মানুহ সকল তুলনামূলকভাৱে কম সুখী।

ৰাষ্ট্ৰসংঘই সুখক সাৰ্বজনীন কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে একোটা বিশেষ বিষয়বস্তুৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আন্তৰ্জাতিক সুখ দিৱস পালন কৰিবলৈ আহ্বান জনায়। এই বছৰ অৰ্থাৎ ২০২৪ চনৰ বিশ্ব সুখ দিৱসৰ বিষয়বস্তুটো হৈছে 'Happiness Together', লগে-ভাগে সুখী হওঁক। অৰ্থাৎ আনৰ সুখ দুখ, অনুভূতিৰ লগত জড়িত হ'লে হে সুখ দীৰ্ঘস্থায়ী হ'ব আৰু এক বৃহৎ পৰিসৰত মহৎ কাৰ্যৰ অংশীদাৰ হ'ব পাৰি। সেয়ে কবি আনন্দ চন্দ্ৰ আগৰৱালাই কৈ গৈছে যে পৰৰ কাৰণে কান্দিব জানিলে কান্দোনতো সুখ পায়। প্ৰখ্যাত সাহিত্যিক সাংবাদিক হোমেন বৰগোহাঞিয়ে তেওঁৰ "মই যেতিয়া ক্লান্ত হওঁ" গ্ৰন্থত মৰ্টিমাৰ এড্‌লাৰৰ সুখৰ সৰল সংজ্ঞাটোতে সন্তুষ্ট হৈ থাকিবলৈ বোধহয় বেছি ভাল পাম বুলি উল্লেখ কৰিছে। এড্‌লাৰৰ মতে সুখৰ বাহ্যিক বা শাৰীৰিক উপাদানবোৰ হ'ল ধন-সম্পত্তি, স্বাস্থ্য আৰু শাৰীৰিক আনন্দ। সামাজিক উপাদানবোৰ হ'ল সন্মান, প্ৰেম, বন্ধুত্ব, নাগৰিক শান্তি আৰু ন্যায়-বিচাৰ। বৌদ্ধিক উপাদানবোৰ হ'ল জ্ঞান, প্ৰজ্ঞা আৰু বোধশক্তি। এই প্ৰত্যেকটো উপাদানৰ লগত মানুহৰ একো একোটা বাস্তৱ প্ৰয়োজনৰ সম্পৰ্ক আছে। এই আটাইবোৰ উপাদান লগ লাগিহে এজন মানুহৰ আটাইবোৰ প্ৰয়োজন পূৰ্ণ কৰিব পাৰে, আৰু তেওঁৰ স্বভাৱক চৰম উৎকৰ্ষ দান কৰিব পাৰে। সেই কাৰণে মানুহে এই উপাদানবোৰক কেৱল লক্ষ্য হিচাপে গণ্য নকৰে; সেইবোৰ আচলতে মানুহ সুখী হোৱাৰ একোটা উপায়। সেই গ্ৰন্থত বৰগোহাঞিয়ে ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞানী এজনে তেওঁৰ গৱেষক-ছাত্ৰী এগৰাকীক কৈছিল যে "তেওঁ এজন প্ৰকৃত সুখী মানুহক লগ পাইছিল। যিজনে ইহুদি নিধন যজ্ঞত পিতৃ-মাতৃ দুয়োকে হেৰুৱাইছিল যদিও তেওঁ সুখ-শান্তি হেৰুওৱা নাছিল। তাৰ কাৰণ ব্যাখ্যা কৰি কৈছিল জীৱনৰ তুচ্ছ কথাবোৰৰ বিষয়ে চিন্তা কৰি থাকি অসুখী হোৱাটো এটা অনুচিত আৰু অশালীন কথা। মানুহে আনন্দ বিচৰা উচিত জীৱনৰ মাজত আৰু মানৱিক সম্পৰ্কৰ মাজত।"এই বছৰৰ সুখ দিৱসৰ বিষয়বস্তুৰ অন্তৰ্নিহিত কথাটোও ইয়াতেই ফুটি উঠিছে।

ৰাষ্ট্ৰই সুখক মৌলিক অধিকাৰ হিচাপে গণ্য কৰিছে। এই অধিকাৰ সেইসকলৰো আছে যিসকল অন্য ধৰণে সক্ষম বা বিশেষভাৱে সক্ষম। সেই সকলো প্ৰাণৱন্ত আৰু মৌলিক শক্তিৰ অধিকাৰী। তেওঁলোকক বা তেওঁলোকৰ পৰিয়ালক সুখী কৰি ৰখাৰ দায়িত্ব কম বেছি পৰিমাণে আন ব্যক্তি সকলৰ ওপৰতো নপৰা নহয়। প্ৰতি বছৰে ৩ ডিচেম্বৰত 'আন্তৰ্জাতিক অক্ষম-ব্যক্তিৰ দিৱস' পালন কৰা হয়। কেৱল এই দিৱস পালন কৰিলেই তেওঁলোক সুখী হৈ নপৰে। দিব্যাংগ সকলৰ বাবে বাধামুক্ত পৰিৱেশ গঢ়ি তোলাটো অতি প্ৰয়োজনীয় কথা। তেওঁলোকক সমাজৰ আৱৰ্জনা বুলি নাভাবি মানৱ অধিকাৰ আৰু সামাজিক সহ-অৱস্থানৰ জৰিয়তে তেওঁলোকৰ প্ৰতিভা খিনি বিকশাই তুলিব পাৰিলেহে প্ৰকৃত সুখ প্ৰদান কৰা হ'ব।

বিশেষভাৱে সক্ষম ব্যক্তি সকলে সকলো প্ৰতিকূল অৱস্থাক নেওচি বাস্তৱ পৰিস্থিতিৰ মুখামুখি হৈ জীৱন -যাত্ৰাত আগবাঢ়ি যাবলৈ চেষ্টা কৰে আৰু বহুকেইজন ব্যক্তিয়ে নিজ প্ৰতিভাৰ পৰিচয় দি বিশ্ব বিখ্যাত হৈ পৰিছে। উদাহৰণস্বৰূপে হেলেন. এ. কেলাৰ নামৰ এগৰাকী মাৰ্কিন লেখক আৰু প্ৰৱক্তা যিগৰাকী আছিল বিশ্ব বিখ্যাত আৰু অনুপ্ৰেৰণাদায়ক দৃষ্টি শক্তিৰ প্ৰতিবন্ধী ব্যক্তি। মাত্ৰ ১৮ মাহতে দৃষ্টি শক্তি হেৰুৱাইছিল যদিও পৰিয়ালৰ সহযোগিতা, নিজৰ সাহস আৰু সংকল্পৰ বাবে তেওঁ বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। ইয়াৰ উপৰিও তেওঁ বহু কেইখন গ্ৰন্থ ৰচনা কৰিছিল। লাল আদৱানী নামৰ দৃষ্টি শক্তি প্ৰতিবন্ধী এগৰাকীয়ে ভাৰতবৰ্ষত প্ৰতিবন্ধীৰ বিশেষ শিক্ষা আৰু পুনৰ সংস্থাপনৰ বাবে এটা সংস্থা প্ৰতিষ্ঠা কৰিছে। তেওঁ ব্ৰেইল পদ্ধতিৰ সমস্যা সমূহৰ আলোচনাত ইউনেস্কোত ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰিছে। এনে বহুসংখ্যক উদাহৰণ আছে যি সকলে ব্যক্তিগত সমস্যা আওকাণ কৰি মানসিক দৃঢ়তাৰে ৰাষ্ট্ৰ উন্নয়নত নিমগ্ন হ'ব পাৰিছে। চৰকাৰে '১৯৯৫ চনৰ আইন' অনুসৰি বিশেষভাৱে সক্ষম ব্যক্তিয়ে আন ব্যক্তিৰ সমানে সুযোগ, সুৰক্ষা, অধিকাৰ লাভ কৰিব আৰু সকলোতে অংশগ্ৰহণ কৰিব পৰা ব্যৱস্থা কৰিছে। ৩% ভূমি সেই সকলৰ বাবে সংৰক্ষিত থাকিব। ৮০% অধিক অক্ষমতা থকা ১৮ বছৰ উৰ্ধৰ লোকৰ বাবে 'ইন্দিৰা গান্ধী জাতীয় অক্ষমতা পেঞ্চন আঁচনি'ৰ ব্যৱস্থা কৰা হৈছে। '২০০৬ বিশেষভাৱে ৰাষ্ট্ৰীয় সক্ষম লোকৰ সুৰক্ষা নীতি' অনুসৰি অক্ষমতাৰ প্ৰতিৰোধ, সুৰক্ষাৰ উপায়, অক্ষম নাৰী আৰু শিশু আদিৰ সংস্থাপন আৰু সুৰক্ষাৰ ব্যৱস্থা লোৱা হৈছে।

চৰকাৰী আঁচনি সমূহে সফলতা তেতিয়াহে লাভ কৰিব যেতিয়া সৰ্বসাধাৰণে মানসিক ভাৱে তেওঁলোকৰ সমস্যা সমূহ বুজিবলৈ চেষ্টা কৰে, তেওঁলোকৰ লগত সহযোগিতা স্থাপন কৰে, ন্যায় আৰু অধিকাৰ প্ৰদানত আগ্ৰহী হয়। ২০২৩ চনৰ ২১ ডিচেম্বৰত মুক্তি পোৱা মালয়ালম ছবি 'নেৰু' ত বিশেষভাৱে সক্ষম লোকৰ ন্যায়ৰ প্ৰতি যি অধিকাৰ সাব্যস্ত কৰিলে সেয়া আদৰণীয় আৰু আমি সকলোৱে সমাজৰ আৱৰ্জনা সদৃশ অপৰাধ চক্ৰৰ বিৰুদ্ধে সজাগ হৈ যুঁজ দিবলৈ মানসিক ভাৱে প্ৰস্তুত থাকিব লাগে। ভুল সেৱা কাৰ্যই বিশেষভাৱে সক্ষম লোক সকলৰ প্ৰতি সামাজিক সমৰ্থন, সন্তুষ্টি আৰু আত্মিক হোৱাৰ আগ্ৰহত নেতিবাচক প্ৰভাৱ পেলায়। তেওঁলোকক এলাগী নকৰি প্ৰতিবন্ধকতাৰ প্ৰতি পোনপটীয়াভাৱে জড়িত হৈ সেই সকল ব্যক্তিকো সুখৰ সমভাগ প্ৰদান কৰা উচিত।

আজিৰ সময়ত মানুহে সৎ হোৱাতকৈ ধনী হোৱাৰ ওপৰত বেছি গুৰুত্ব দিয়া দেখা যায়। কেৱল ধন-সম্পত্তিয়েই মানুহক সুখী কৰিব পৰা হ'লে আমেৰিকাৰ দৰে ধনী দেশসমূহে সুখী দেশৰ তালিকাত প্ৰথম পাঁচ টা স্থান অধিকাৰ কৰিলে হেঁতেন। বৈজ্ঞানিক পদ্ধতিৰে চলোৱা সমীক্ষা মতে ইউৰোপ-আমেৰিকাৰ কেইবাখনো উন্নত শিল্প-প্ৰধান দেশত মানুহৰ হতাশা আৰু বিষণ্ণতা প্ৰতি দহবছৰৰ মূৰে মূৰে দুগুণে বৃদ্ধি পাইছে। বাইবেলত কৈছে- 'মানুহে কেৱল ৰুটি খাই জীয়াই থাকিব নোৱাৰে'। ইয়াৰ অৰ্থ এইটোৱেই যে মানুহৰ সকলো শাৰীৰিক আৰু বৈষয়িক প্ৰয়োজন পূৰণ হোৱাৰ পিছতো এনে কিছুমান প্ৰয়োজন ৰৈ যায় - যিবোৰ পূৰণ নহ'লে মানুহে প্ৰকৃত শান্তি পাব নোৱাৰে; অথচ যিবোৰ প্ৰয়োজন ধন-ঐশ্বৰ্যই পূৰণ কৰিব নোৱাৰে।'

যেতিয়ালৈকে এখন দেশৰ জনগণ সুখী নহয় তেতিয়ালৈকে দেশে সফলতা লাভ কৰিব নোৱাৰে। সেয়ে চৰকাৰে জনসাধাৰণৰ প্ৰতি কিছুমান কৌশল আগবঢ়াইছে। সেইসমূহ হৈছে কৃতজ্ঞ হোৱা, পৰিস্কাৰ-পৰিছন্নতা, সৰু সৰু জয়বোৰ উদযাপন কৰা, ব্যায়াম কৰা, পৰ্যাপ্ত নিদ্ৰা, মনোযোগেৰে খাদ্য গ্ৰহণ, দীঘল কৈ উশাহ-নিশাহ লোৱা, বন্ধুত্ব স্থাপন কৰা, ক্ষমা কৰা আদি। এই কাৰ্য সমূহে আমাক সৎ, সংযমী আৰু শিষ্টাচাৰী হিচাপে গঢ়ি তুলিব আৰু তাৰ বাবে একমাত্ৰ নিজৰ সংকল্পৰ বাহিৰে আন একোৰে প্ৰয়োজন নাই।

আমি অসুখী হোৱাৰ প্ৰধান কাৰণ টো হৈছে প্ৰতিযোগিতামূলক মনোভাৱ। আমি সৰু ডাঙৰ সকলো কথাতে আনৰ লগত তুলনা কৰোঁ আৰু প্ৰতিযোগিতাত নামি পৰোঁ। যিটো বিশ্বৰ সকলোতকৈ সুখী দেশ ফিনলেণ্ড বাসীৰ মাজত নাই তেওঁলোকে কেৱল সহযোগিতা হে বিচাৰে। উদাহৰণস্বৰূপে এজন চিনাকী মানুহ দেখা পালে সৰুৱেই হওঁক বা ডাঙৰেই হওঁক প্ৰথমে নিজে মাত এষাৰ দিলে আমাৰ একো হানি নহয় বৰঞ্চ মানুহজনে মাত নিদিলে বুলি অসন্তোষ কৰিবলৈ নাথাকে। এইখিনিতে এটা কথা ক'ব খোজোঁ আমি কেতিয়াও সুখী হোৱাৰ অভিনয় কৰিব নালাগে। টোপ টোপ পানী পৰি বিশাল সাগৰ হোৱাৰ দৰে সৰু সৰু সুখ বুটলি বিলাই নিজৰ লগতে আনকো সুখী কৰিবলৈ আজিয়েই সংকল্পবদ্ধ হওঁ আহক।



## ৰঙৰ উৎসৱ হোলী

**ৰুক্মিণী দাস শ্ৰীহাটী**

ফাগুনৰ শেষ প্ৰহৰত
নিৰ্মল স্নিগ্ধতাই
সাৱতিছে আকাশ
অনুভৱী হৈ পৰিছে
মোৰ ৰিক্ত হৃদয়
চৌদিশে উৎফুল্লিত হৈ
উঠিছে ৰঙৰ উৎসৱ ।
এয়া যে মায়াময়
ৰূপোৱালী ফাগুনে
আদৰি আনি দিলে
চ'তৰ পূৰ্ণিমা তিথি
এনেহেন পূৰ্ণিমাৰ
তিথিতেই
ৰঙৰ আবিৰ সানি
চৌদিশে খেলে
হৰিৰ নামৰ ধ্বনি
ৰঙৰ উৎসৱ হোলী ।।
ফাঁকুৱাই কেৱল উৎসৱৰ আনে এনে নহয়
শান্তি, সমৃদ্ধি আৰু
সম্প্ৰীতিৰে
ভৰপূৰ কৰি তোলে
সৃষ্টি কৰে এক
মহামিলনৰ ।।



## দৌল

**অনামিকা (সংগীতা)কলিতা,গুৱালকুছি**

ঋতুকালিন ৰঙৰ উৎসৱ
কৃষ্ণ সংস্কৃতিৰ ভক্তি ধৰ্মৰ
অন্য এক ফাগুনৰ বন্ধন..।
আধ্যাত্মিক ধৰ্মীয় কৃত্য সাধন
নাই উচ্চ-নীচ, ধনী-দুখীয়া..
সিক্ত হৃদয়ত আবিৰৰ দলিচা পাৰি
ৰংগে ফাগু খেলে চৈতন্য বনমালী।
হোলীগীতৰ মূৰ্চ্ছনা
শ্ৰীকৃষ্ণৰ লীলা মাধুৰ্যৰ পৰম প্ৰকাশ,
আজিও মঞ্জুৰিত হয় বৰপেটা বৰদোৱা ধাম
ফাকুগুড়ি ছটিয়াই গাই জয় জয় গান।
পত্নি ঘুনুচাৰ বাৰীত
বিলম্ব কৰে সাতদিন সাতৰাতি কানাই
ঠেহ পাতে লক্ষ্মীদেৱী আই,
ৰংমনে প্ৰজাগণে আদৰে দৌল গৃহৰ দুৱাৰ ঢকিয়াই!
ফল্গু পূৰ্ণিমা ৰাতি
হোলিকা দহনৰ জুইত
অপায়-অমংগল ফিৰিঙতি হৈ জ্বলে
অপ-সংস্কৃতি বিনাশী আহিবাচোন ন-প্ৰতিশ্ৰুতি লৈ
জিলিকাই আকাশ খন শিমলু ৰঙা কৰি..!

## কবিতাৰ শিতান

## পাহৰণিৰ গৰ্ভত

**যমুনা দুলু বৈশ্য, গুৱালকুছি**

আচলতে সকলো বস্তু নিজৰ হৈ
নাথাকে
ইচ্ছা থাকিলেও বাধাৰে আৱৰে
হিয়াত
মেটমৰা বাসনাই আপোনা
পাহৰাই ।
হেঁপাহৰ আৰতে লুকাই থাকে
প্ৰলেপ সানে জীৱনৰ ৰংবোৰত
গণি পিটি উপচাই মাথো
অভিজ্ঞতাৰে শিক্ষা ।
কেতিয়াবা নিজৰ লিখনিবোৰ
হাতফুৰাই চাওঁ প্ৰতিটো
শব্দমালা
কবিতা বোৰ জন্ম দিও এটি
সন্তানৰ দৰে।
ভাৱনাৰ প্ৰকাশ বোৰ যাব নেকি
পাহৰণিৰ গৰ্ভত কেতিয়াবা
মৰহি
হৃদয় স্পন্দনত জাগে
কথাবোৰ।

## কবিতা

**অলকা বুজৰ বৰুৱা, টিহু টাউন**

কবিতাই গুঠে শব্দৰ মালা
হৃদয় গুঞ্জৰিত কৰা শব্দৰ
মালিতাত
সাৰ পাই উঠে প্ৰাণৰ ভাষা।
মহাবিশ্ব আলোকিত কৰি
হৃদয়ে হৃদয়ে সিঁচি যায়
প্ৰেমৰ ৰঙীণ আবিৰ।
কবিতাই গুঠিব পাৰে বিষাদৰ
গাঁঠা
হৃদয়ৰ পৰিধি ভাঙি বোৱাব
পাৰে
বিষাক্ত বিষাদৰ নিজৰা।
কবিতাৰো আছে এক নিজস্ব
ধাৰা
সেয়েতো, কবিতা মোৰ ৰন্ধ্ৰে
ৰন্ধ্ৰে
যি বৈ আছে অহৰহ, মোৰ
কলিজাৰ প্ৰান্তে প্ৰান্তে।

## অনুৰণন

**ৰঞ্জুলা শৰ্মা,গুৱাহাটী**

আবেলিৰ দিগ্বলয়ত এতিয়াও
শুনো
তোমাৰ অৰণ্য ৰোদন।
অনামী, উদভ্ৰান্ত পথিক!
মনত আছে,
যিদিনা কৰিছিলা মোৰ পদূলিত
তোমাৰ অপ্ৰত্যাশিত প্ৰৱেশ।
ধূসৰময় আবেলিত
এতিয়া অস্পষ্ট তোমাৰ
প্ৰতিচ্ছবি!
ভগ্ন হৃদয়ত বাজে আস্ফালনৰ
অনুৰণন।
প্ৰতাৰণাৰ নিখুঁত পোচাক পিন্ধি
নকৰিবা পুনৰ মাতাল প্ৰৱেশ!
হৃদয় জুখিবলৈ নকৰিবা বৃথা
প্ৰয়াস!
মোৰ হৃদয়ত এতিয়া অজস্ৰ
অশ্বাৰোহীৰ উন্মত্ত কছৰৎ।

## আমাৰ সংসাৰ

**মায়া বৰদলৈ, যোৰহাট**

ফাগুনৰ ৰঙেৰে প্ৰজাপতি মন,
মুৰ তুলি দেখো বিছৰাজন ।
যজ্ঞ দেৱতাৰ আশিস ললোঁ,
লগুণ গাঁঠিৰে দুয়ো বান্ধ খালোঁ।
সময় নৰয়, কেনি উৰি যায়,
মায়াৰ বন্ধনে সবে পাহৰায়।
ল'ৰা ছোৱালী বুজন হ'ল,
বিদ্যা শিক্ষা লৈ কামে কাজে গ'ল।
একে একে দুই দুয়ে দুয়ে চাৰি,
সময়ত সিহঁতো ঘোৰ সংসাৰী।
ৰখি থাকো এই বৃহত উকা ঘৰ,
মকৰা জেঠীয়ে বোলে নহওঁ আমি পৰ ।
খিৰিকী উৰলে দৰ্জা ঘূণে খায়,
সাৰি মচি নহয়হে, কঁকাল বিষায় ।
ৰঙিলী ৰমলাই চিঞৰি কয়,
আমি আছো খুৰী নকৰিবা ভয় ।
ল'ৰাহঁত আহিব খুলিলোঁ দুৱাৰ,
তৰালিৰে দীপাৱলী পাতিম ইবাৰ ।
অনুপম পৃথিৱী আশাৰ সংসাৰ,
নতুনক চোৱাৰ হেপাঁহ দুৰ্বাৰ ।
আহিবা সখী ঘৰলৈ এবাৰ,
আহিলে বুজিবা এনুৱা সংসাৰ ।



## মাথো তোমাৰ বাবেই..

**ড° লখিমী গগৈ,গুৱাহাটী**

ফাগুন হৈ অহা
তেওঁ মোৰ জীৱনত
বহাগ হৈ ৰৈছিল ।
বসন্তৰ ৰাগীত
মতলীয়া কৰিছিল
প্ৰাণ ।
এতিয়া জীৱন
কেৱল সেউজীয়া
মাথো সেউজীয়া ।
নাহৰ, তগৰৰ সুবাসত
উদ্ভাসিত সময়।
কেউফালে যেন
ঢোলৰ গুমগুমনি।
অজানিতে ভাহি আহে
এটি মিচিকি হাঁহি,
ৰামধেনুৰ সাতো ৰং
কোনে সানি দিলে
মোৰ ওঠত আহি!
গোপনে...
গুপুতে...
জীৱন সুন্দৰ
তোমাৰ বাবেই
মাথো
তোমাৰ বাবেই ।




# আমেজ

মৃদুস্মিতা শৰ্মা ,বোকাখাত

বহু অপেক্ষাৰ অন্তত
হুৰহুৰাই বৰষুণ আহে,
এজাক বৰষুণ ..
খিৰিকী খুলি বৰষুণজাক চাওঁ
চকুৰে দেখোঁহে মাত্ৰ..
মোৰ বিলাসী ফ্লেটৰ
আইনাৰ ভিতৰৰ পৰা
বৰষুণৰ শব্দ একোকেই নুশুনি,
যি শব্দ টিঙত পানী পৰি হৈছিল,
যি শব্দত মোৰ শৈশৱ পাৰ হৈছিল।
যি শব্দ মোৰ আইতাৰ
উৰুখা চালত পৰি হৈছিল..
চালেৰে বৈ অহা পানীত
মোৰ কনমানি হাতেৰে
বৰষুণ চুই চোৱাৰ যি আমেজ ..
আইতাই কাটি দিয়া কচুপাত
মূৰত লৈ পিটপিটাই
বৰষুণত চপক চপককৈ
খোজকঢ়াৰ যি আমেজ
সেই আমেজ ক'ত?
আজি যে তিতিবলৈ
ওলাই যাবও নোৱাৰোঁ।
কেওফালে অট্টালিকা..
আমেজ নোহোৱা হয়
মোৰ বৰষুণৰ।।।

# বৰষুণেৰে সী দিলোঁ এপথাৰ সুখ

ছৈয়দা আঞ্জুম আৰা হুছেইন ,গুৱাহাটী

গছৰ ডালৰ ফেৰেঙনিত বহি
এটি মিঠা সুহুৰি
অ' মোৰ মেঘাঞ্জলি
তুমি আহিছা
প্ৰেমৰ এবাতি আপঙেৰে
এচাটি মলয়া হৈ
তুমি মোক স্পৰ্শ কৰা
মই উন্মনা হওঁ
চঞ্চল হওঁ
পখিলাৰ পাখি সী
উৰি যাওঁ মেঘৰ দেশলৈ
দুচকুত আঁকি কলা মেঘৰ কাজল
পিন্ধি লওঁ এখনি বৰণহীন চাদৰ
চুমা দি জগাই তোলো
পিয়াহতুৰ পৃথিৱীক
জুৰিটিৰ স'তে কাণে কাণে ফুচফুচাই
খিলখিল হাঁহি হৈ
উফৰি পৰোঁ জোনে মুখ চোৱা পানীত
মেঠনি ডুবা পানীত গা- পখলা
জাকপতা গাভৰুক
ভাকুটকুটাই দিওঁ
নদীৰ স'তে কৰি গোপন আলাপ
ৰূপোৱালী মাছৰ ফিছাত বহি
ওমলোঁ, ন-পানী হৈ
ককাৰ পথাৰত
সিঁচি দিওঁ এটি ভৱিষ্যতৰ সপোন
আঘোণৰ ধাননেৰে সোণসেৰীয়া ।

## কবিতাৰ শিতান

# আজি নিয়ৰবোৰ বৰষুণ হৈ সৰিছে

ৰোহিনী কুমাৰ দাস, গুৱাহাটী

"আজি নিয়ৰবোৰ বৰষুণ হৈ
সৰিছে,
আজি আকাশখন লাজতে জয়
পৰিছে,
নিয়ৰে আকাশক সুধিছে --
"আকাশ, বিশালতাই তো
তোমাৰ পৰিচয়,
তেনে কিয় লজ্জাত নত সি
হৃদয় ?"
আকাশে ক'লে --
"আজি যে মোৰ প্ৰথম
পৰিণয়....
সীমাহীনতাত ব্যাপি থকা মৰমৰ
আলয়,
স্তব্ধ হ'ল কাৰোবাৰ প্ৰণয়
পাশত,
হেৰুৱাই নিজ পৰিচয়!
মাথো নুসুধিবা তেওঁনো কোন,
যাৰ উদাসীনতাত দগ্ধ ই হৃদয় !
শত যোজন আঁতৰৰ সি নিমাতী
মায়াময়......
তথাপি যেন আছে প্ৰাণত, এক
অবুজ তৃষা হৈ !"

# অৱধি

নিৰ্মিতা বৰগোহাঁই,গুৱাহাটী

নিলাজ বৰষুণ আহি
পৰিছেহি গাত
নীলা আঁচল টানি
নকৰিবা আলাপ
বহু পলম কৰিলা
মইতো মাতিছিলোঁ তেতিয়া
যেতিয়া যৌৱনত বসন্ত
নামিছিল
শৰতৰ আকাশত জোনে
হাঁহিছিল
বহু পলম কৰিলা
কিয় নাহিলা তেতিয়া
হৃদয়ত লিখা কবিতা পঢ়িবলৈ
আবেলিৰ ৰঙীন ৰামধেনু চাবলৈ
তথাপি আহিছা যদি
সীমনাৰ ৰেখা টানি
হাতেতে হাত থৈ
যাওঁ ব'লা, সূৰুযমুখী দেশলৈ...



# তুমি মোৰ বাৰিষাৰ প্ৰথমজাক বৰষুণ

প্ৰণৱ কুমাৰ হাজৰিকা,সহযোগী অধ্যাপক, নাওবৈচা মহাবিদ্যালয়

তোমাৰ লগত কথা হ'লো ওৰে ৰাতি,
টোপনিত তুমি হাঁহিছিলা,
মোৰে সৈতে শব্দহীন গানৰ
অন্তাক্ষৰী খেলোঁতে
আৰু হাৰোঁতে
বাৰে বাৰে খং কৰিছিলা;
মোক হৰুৱাই ঘূৰি ঘূৰি নাচিছিলা...
জিকিলে হাঁহিত তোমাৰ জোনাক নামে
আৰু
সেই জোনাকত তিতাৰ লোভত
চিৰদিন তোমাৰে হাৰিবলৈ
মই হাজাৰবাৰ ৰাজি।
কালি মই জোকাওঁতে
তুমি গুছি যাম বুলি কৈছিলা
বহুদূৰৰ সেই দেশখনলৈ
য'ৰ পৰা পৰীবোৰ নামি নাহে কেতিয়াও।
মই কৈছিলো, " তুমি ইমান নিষ্ঠুৰ হ'ব পাৰিবা, কেনেকৈ ?
তোমাৰ বাবে মই বুদ্ধ হম,
সঞ্জীৱনী হ'ম
নাইবা
চাকৈ চকুৱাৰ বিৰহেৰে
পান কৰিম জীৱন।"
তুমি বিষাদসনা হাঁহিৰে
মোলৈ চাই আছিলা ৰ' লাগি।
মই কৈছিলো, "তুমি নৈ হ'বা,
সাগৰ হ'বা.
তুমি এটা মিঠা বাঁহী হৈ
বাজি থাকিবা মোৰ বুকুত।
তুমি সেউজীয়া হ'বা,
মোক বুৰাই পেলাবলৈ
এজাক ভাললগা বৰষুণ হ'বা,
কিন্তু
মই ঘিণ কৰা সেই দেশৰ ঠিকনা
নকবা মোক কাহানিও।"
তুমি হাঁহিছিলা,
কৈছিলা, তুমি থাকিবা মোৰ বুকুত সদায়
এটি প্ৰেমময় কবিতা হৈ।
তোমাৰ মাজত তেতিয়া মই
সাগৰৰ ঢৌ বোৰ বিচাৰিছিলো
তোমাৰ এসাগৰ জোনাকত
মোক সাতুৰিবলৈ মাতিছিলা তুমি
মই তেতিয়া মাতাল হৈ পৰিছিলো আকণ্ঠ পান কৰি
তোমাৰ দুকলহ সুমিষ্ট ফটিকা
তুমি কৈছিলা, " এনেকৈয়ে শেষ হোৱা হলে জীৱন!"
মই কৈছিলো, " এয়া আৰম্ভণি,
জীৱন হ'ল প্ৰতিটো সুখৰ উদ্‌যাপনৰ নাম,
প্ৰতিটো দুখক জিনাৰ নাম,
জীৱন এক প্ৰাপ্তিৰ নাম,
জীৱন...
সচা ভালপোৱাৰ নাম।"
তুমি হাঁহিছিলা,
আলফুলে তোমাৰ দুহাত মোক দি কৈছিলা,
" মই হ'ম তোমাৰ জীৱন,
ময়েই তোমাৰ জীৱন।"
মই তথা লাগি চাইছিলো তোমাক,
এনে ভাৱ হৈছিল
যেন তুমি দূৰ আকাশৰ পৰা নামি অহা
মোৰ হেঁপাহৰ এজাক বৰষুণ,
তুমি বাৰিষাৰ প্ৰথমজাক বৰষুণ ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যিক বিজেপিয়ে

নিৰ্বাচনী প্ৰচাৰৰ বাবে সাজু কৰিছে চাৰিখন হেলিকপ্টাৰ। ইয়াৰে এখন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বাবে সাজু হৈ থকাৰ বিপৰীতে আন এখন ৰাজ্যিক সভাপতিৰ বাবে, এখন ৰাষ্ট্ৰীয় নেতাৰ বাবে আৰু আন এখন হেলিকপ্টাৰ ব্যৱহাৰ হ'ব দলীয় মন্ত্ৰী আৰু নেতাৰ বাবে। ইফালে, নিৰ্বাচনক লৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা বিজেপিয়ে প্ৰতিটো বিধানসভা সমষ্টিত, প্ৰতিটো বুথত প্ৰচাৰ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত ৰাজ্যিক সভাপতি ভবেশ কলিতাই কয় যে ষ্টাৰ কেম্পেইনাৰৰ পৰিৱৰ্তে বিজেপিয়ে বুথ সভাপতিসকলক আগত লৈয়েই নিৰ্বাচনী প্ৰচাৰ চলাই যাব। তদুপৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত হ'ব কেইবাখনো বিশাল সভা। সভাপতি ভবেশ কলিতাই প্ৰকাশ কৰা মতে, ২৬ মাৰ্চত ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন গগৈয়ে মনোনয়ন দাখিল কৰিব। আনহাতে, ২৭ মাৰ্চত শোণিতপুৰ সমষ্টিৰ বাবে ৰঞ্জিত দত্ত, লখিমপুৰ সমষ্টিৰ বাবে প্ৰদন বৰুৱা আৰু কাজিৰঙা সমষ্টিৰ বাবে কামাখ্যা প্ৰসাদ তাছাই মনোনয়ন দাখিল কৰিব। প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক সভাপতি ভবেশ কলিতা। শাসকীয় দলটোৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত ৰাজ্যিক সভাপতিগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি অসমত ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাৰ সভা তুলনামূলকভাৱে যথেষ্ট কম হ'ব। অৱশ্যে প্ৰচাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু আন কেইবাজনো শীৰ্ষ পৰ্যায়ৰ নেতাক আমন্ত্ৰণ জনোৱা হৈছে। ভবেশ কলিতাই এই সন্দৰ্ভত কয়- যিসকল নেতাক আমি আমন্ত্ৰণ জনাইছোঁ, তেওঁলোকৰ সৰহভাগেই এইবাৰ প্ৰাৰ্থীৰূপে থিয় দিছে। গতিকে অসমলৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ সময় কি ধৰণে উলিয়াব তাৰ ওপৰতে নিৰ্ভৰ কৰিব ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাৰ নিৰ্বাচনী সভা। অৱশ্যে নলবাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এখন সভা অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ বাবে এতিয়াও কোনো স্থিৰ দিন প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা অহা নাই। সকলো নিৰ্ভৰ কৰিব প্ৰধানমন্ত্ৰীগৰাকীৰ সময়সূচীৰ ওপৰত। ইয়াৰ বিপৰীতে ৰাজ্যৰ প্ৰতিটো সমষ্টিতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ষ্টাৰ কেম্পেইনাৰৰূপে নিৰ্বাচনী সভা অনুষ্ঠিত কৰিব। মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰচাৰ সভাৰ সকলো দিশ ইতিমধ্যে প্ৰায় চূড়ান্ত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেবিনেট মন্ত্ৰীসকলেও দলীয় প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী প্ৰচাৰ চলাব বুলি আজি ৰাজ্যিক সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

# বিজেপি প্ৰাৰ্থী বিজুলী কলিতা

চাৰিআলি, ৪৭নং ৱাৰ্ডৰ দক্ষিণ বেলতলা শিৱমন্দিৰ, বনগাঁও, বেলতলা আৰু ৪২নং ৱাৰ্ডৰ লখিমীনগৰ নামঘৰত নিজৰ সমৰ্থকক লগত লৈ ৰাইজৰ সহযোগিতা আৰু আশীৰ্বাদ কামনা কৰে। আনহাতে, প্ৰাৰ্থীগৰাকীয়ে ৪৮নং ৱাৰ্ডৰ ছুপাৰ মাৰ্কেট, মাধৱদেৱ নগৰ আৰু সন্ধিয়া এ টি ৰোড, টকৌবাৰী সত্ৰ, ছাত্ৰীবাৰী শিৱমন্দিৰ আদি অঞ্চলত প্ৰচাৰ চলায়। প্ৰাৰ্থীগৰাকীক প্ৰচাৰ চলোৱাৰ সময়ত জিলা বিজেপিৰ সভাপতি তপন কুমাৰ দাস আৰু মেয়ৰ মৃগেন শৰণীয়াকে ধৰি বিজেপিৰ জিলা কাৰ্যকৰ্তাসকলে সহযোগিতা কৰে।

তিনি পৃষ্ঠাৰ পৰা...

# লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰে

বিভিন্ন জনহিতৈষী আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ গৰিষ্ঠসংখ্যক লোক উপকৃত হৈছে। সেয়েহে সমাগত লোকসভাৰ নিৰ্বাচনী প্ৰচাৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন অভিলাষী পদক্ষেপ- আঁচনিসমূহে জনসাধাৰণক দিয়া সকাহৰ বিষয়ে সবিস্তাৰে আলোকপাত কৰাৰ লগতে অন্যান্য জনহিতকৰ বিষয়সমূহো ৰাইজৰ মাজলৈ লৈ যাবলৈ সভাত উপস্থিত দুয়োটা দলৰে মুখপাত্ৰসকলে সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, লোকসভা নিৰ্বাচনৰ প্ৰচাৰ নীতিৰ ওপৰত অচিৰেই বিজেপি, অগপ আৰু ইউ পি পি এলৰ এখন সন্মিলিত বৈঠক আয়োজন কৰাৰ বাবেও এই মুখপাত্ৰ সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত বিজেপি অসম প্ৰদেশৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱা, দেৱান ধ্ৰুৱজ্যোতি মৰলৰ উপৰি আন মুখপাত্ৰসকলৰ লগতে বিজেপিৰ মিডিয়া পেনেলিষ্টসকল, অগপৰ উপ সভাপতি বিষ্ণু দাস, অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, অগপৰ সাধাৰণ সম্পাদক সত্যব্ৰত কলিতা বিমলেন্দু সিনহা, সুনীল ডেকা, ড° তপন দাসৰ লগতে অগপৰ আন মুখপাত্ৰসকল সভাত উপস্থিত থাকে।

# সদৌ অসম কেন্দ্ৰীয়

তামুলী, উপদেষ্টা তৰুণ বৰ্মন, উপদেষ্টা দেৱেশ্বৰ ভট্ট সহ প্ৰায় ৩৫ জন মান কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ থাকে যে অধিৱেশনৰ কমিটীত মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি গণেশ তামুলী, কাৰ্যকৰী সভাপতি আচিৰুদ্দিন আহমেদ, আৰু উপদেষ্টা মণ্ডলী ক্ৰমে দেৱেশ্বৰ ভট্টাচাৰ্য, তৰুণ বৰ্মন, লক্ষ্মী কান্ত ডেকা, মাধৱ কুমাৰ হাজৰিকাৰ লগতে ৫ গৰাকী আহ্বায়কক লৈ ১৩ জনীয়া কমিটী এখন গঠন কৰে। আৰু শ্বহীদ ন্যাসতে অধিৱেশন খন পতা হ'ব বুলি তেওঁলোকে প্ৰস্তাৱ লয়। কেৱল মাহ আৰু সময় পিছত ঠিক কৰা হ'ব বুলি জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ৰ বৰবৰুৱা ছ্যুকাফা

উপৰিও 'পাইক'প্ৰথাৰ যোগেদি জাতি জনগোষ্ঠীৰ মাজত বিভিন্ন পদবী সৃষ্টি কৰি আগবঢ়োৱা অৱদান আৰু কৰ্মপ্ৰেৰণাই আমাৰ সকলোৰে বাবে আদৰ্শ মহানুভৱ বুলি মত প্ৰকাশ কৰে। মুকলি সভাত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ভৃগু হাতীমূৰীয়া, শোভন কোঁৱৰ, দেৱজিৎ গগৈ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সভাপতি উদয়ন কুমাৰ গগৈ, টাইপাৰ মুখপাত্ৰ মানস প্ৰতিম গগৈও অংশগ্ৰহণ কৰে। অনুষ্ঠানত টিংখাং অঞ্চলৰ বিশিষ্ট চিকিৎসক, সাহিত্যিক, নিষ্ঠাবান সমাজকৰ্মী ডা° অতুল বৰগোহাঁইক টাই আহোম যুৱ পৰিষদৰ জিলা জিলা সমিতিয়ে এখন তাম্ৰপত্ৰ, সম্বৰ্ধনা পত্ৰ, হেংদাং, তাই আহোমৰ সম্পূৰ্ণ অংগবস্ত্ৰৰে "২০২৪ বৰ্ষৰ মোমাই তামুলী বৰবৰুৱা বঁটা" প্ৰদান কৰে। অনুষ্ঠানত মোমাই তামুলী বঁটা গ্ৰহণ কৰি বিশিষ্ট চিকিৎসক, সমাজহিতৈষী ডা° অতুল বৰগোহাঁইয়ে স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনৰ এগৰাকী নিষ্ঠাবান ৰাজকীয় বিষয়া কৰ্মদক্ষ ৰাজচৰা বিষয়া মোমাই তামুলী বৰবৰুৱাই নিজৰ মহানুভৱতা কৰ্মৰে দেখুৱাই যোৱা আদৰ্শৰে সদায় জনসেৱাৰ বাবে নিজকে মনোনিৱেশ কৰিবলৈ প্ৰয়াস কৰিব বুলি উল্লেখ কৰে।

# ১১খনত ১-৫ লাখৰ

আছে। এই আসনখনৰ পৰা আমি আঁতৰি আছোঁ। কিন্তু সমষ্টিটোৰ ৪-৫টা বিধানসভা সমষ্টিত মই প্ৰচাৰ চলাবলৈ যাম। গোলকগঞ্জ, বিলাসীপাৰা আদি কৰি ৪-৫টা সমষ্টিত আমাৰ যথেষ্ট প্ৰতিদ্বন্দ্বিতা হ'ব। ইফালে, কোকৰাঝাৰ সমষ্টিত ইউপিপিএলৰ প্ৰাৰ্থীক বিজেপিয়ে পূৰ্ণ সমৰ্থনেৰে জয়যুক্ত কৰাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- কোকৰাঝাৰত ইউপিপিএলৰ প্ৰাৰ্থী জয়ী হোৱাটো নিশ্চিত। মই কোকৰাঝাৰলৈ যাম। বিজেপিৰ কাৰ্যকৰ্তাসকলৰ সৈতে এই সন্দৰ্ভত আলোচনাত বহিম। আনহাতে, বিপিএফৰ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কোকৰাঝাৰ, দৰং-ওদালগুৰি সমষ্টিত যিহেতু বিপিএফে প্ৰাৰ্থিত্ব দিছে, গতিকে তেওঁলোকৰ সৈতে এতিয়া আলোচনাৰ প্ৰয়োজন নাই। কিন্তু আন সমষ্টিসমূহত যিহেতু বিপিএফে প্ৰাৰ্থিত্ব দিয়া নাই, গতিকে এই সমষ্টিসমূহত বিপিএফে আমাক সমৰ্থন দিয়ক। ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ কেন্দ্ৰীয় নেতৃত্বৰ আগমন সন্দৰ্ভতো তেওঁ কয় যে নিৰ্বাচনৰ ব্যস্ততাপূৰ্ণ কাৰ্যসূচীৰ মাজত ৰাষ্ট্ৰীয় নেতৃত্বই কিমান সময় দিব পাৰে তাৰ ওপৰততে সকলো নিৰ্ভৰ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা সকলোকে প্ৰচাৰৰ বাবে আমন্ত্ৰণ জনাই থোৱা আছে। কিন্তু এই সকলোবোৰ নিৰ্ভৰ কৰিব তেওঁলোকৰ সময়সূচীৰ ওপৰত।

দুই পৃষ্ঠাৰ পৰা...

# দক্ষিণ কামৰূপ

যথেষ্ট গুৰুত্ব দিয়া হৈছে। বিজয়নগৰ-উপৰহালী অঞ্চলৰ ১, ২০০ ৰো অধিক মহিলাক স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তোলা হৈছে। বেংক বিষয়া ডেকাই আৰু কয়- "আত্মসহায়ক গোট গঠন, কৃষি ঋণৰ লগতে যুৱকসকলৰ মাজত ব্যৱসায়ীক মনোবৃত্তি বৃদ্ধি কৰাৰ লক্ষ্যৰে ভিন-ভিন কাম কৰি থকা হৈছে।" সাংবাদিক-লেখক দীপক শৰ্মাই কয়- চৰকাৰে বেংকৰ জড়িয়তে আন্তৰিকতাৰে অসমীয়া যুৱকক সহায় কৰিলে চাকৰিমুখী নহ'লহেতেন । লেখক কমল চন্দ্ৰ মেধিয়ে কয়- অসমীয়া মানুহক ইতিবাচক দৃষ্টিভংগীৰে বেংক কৰ্তৃপক্ষই চাব লাগে।

# বৰপথাৰ উচ্চতৰ

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে বিধায়ক গৰাকীয়ে হাতত লোৱা সমষ্টিটোৰ বিভিন্ন উন্নয়ন মূলক কামসমূহৰ বিষয়ে উল্লেখ কৰি কয় যে অসমৰ পাঁচটা উন্নত সমষ্টিৰ ভিতৰত সৰুপথাৰ সমষ্টিক গঢ়ি তোলাৰ তেওঁৰ যি সপোন সেই সপোন সাৰ্থক কৰি তুলিব পাৰে তাৰ বাবে ৰাইজৰ পৰা আৰ্শীবাদ বিচাৰে। অন্যহাতে ইয়াৰ উপৰিও বিধায়ক গৰাকীয়ে আন কেইবাটাও উন্নয়নমূলক কাৰ্যসূচীত অংশ গ্ৰহণ কৰে।

চাৰি পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক

কোনো উপাদানক প্ৰশ্ৰয় নিদি শান্তিপূৰ্ণ, সুস্থ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিব পৰাকৈ সকলোৰে সহায় সহযোগিতা কামনা কৰে। আনহাতে, নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলবৎ হোৱাৰ লগে লগে জিলা প্ৰশাসন আৰু আৰক্ষীৰ লগতে নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ বিষয়ববীয়া আৰু বিভিন্ন ফ্লাইং স্কোৱাৰ্ডসমূহে জিলাখনত সক্ৰিয় হৈ থাকিব বুলি সভাত উল্লেখ কৰা হয়। সভাত নিৰ্বাচন সংক্ৰান্তীয় অভিযোগ দাখিলৰ বাবে উপলব্ধ "c-vigil এপ" ৰ ব্যৱহাৰৰ বিষয়েও আলোচনা কৰা হয়। এই সভাত অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে সংঘমিত্ৰা বৰুৱা, জিন্টু বৰা, অসীম বৰগোহাঁই, নিৰ্বাচনী বিষয়া প্ৰাঞ্জীল গগৈ, সহকাৰী আয়ুক্ত শিৱানী জেৰ্ণগল আদি উপস্থিত থাকে।

# চানমাৰি নিৰমায়

ভূয়সী প্ৰশংসা কৰে। লগতে কবি ৰুমা ভট্টাচাৰ্যকো কাব্যগ্ৰন্থখনিৰ বাবে শুভেচ্ছা জনায় আৰু নাৰী দিৱসৰ প্ৰাসংগিকতাৰ কথা ক'বলৈ যাওঁতে পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নাৰীৰ উন্নতিৰ হকে যুঁজিবলৈ যাওঁতে কৰা আত্মত্যাগ আৰু কঠোৰ পৰিশ্ৰমৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। এই সভাতে সন্মিলিত মধ্য গুৱাহাটী লেখিকা সমাৰোহ সমিতিয়ে আয়োজন কৰা কবিতা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, তৃতীয় আৰু পৰিচালকৰ বিশেষ বঁটা বিজেতা ক্ৰমে মেঘালী বৰা, গীতাঞ্জলি শৰ্মা, মধুস্মিতা বৰা আৰু ৰঞ্জুশ্ৰী বৰ্মনক বঁটা প্ৰদান কৰা হয়। কল্পনা দেৱী আৰু তেওঁৰ কণমানি কন্যা প্ৰেৰণা ভৰদ্বাজে হোলী গীত পৰিবেশন কৰি উক্ত অনুষ্ঠানটি সজীৱ কৰি তোলে।

ENGLISH NEWS SECTION

# Raj Bhavan Assam celebrates Bihar Statehood Day



Guwahati,RB News: Raj Bhavan, Assam under the leadership of Governor Shri Gulab Chand Kataria celebrated the Bihar Statehood Day today at a function held at Sankardeva Kalakshetra here on Thursday. Speaking on the occasion, Governor Shri Kataria, emphasized Bihar's importance as a state with rich historical and cultural heritage. He highlighted the crucial role of Bihar in India's development, attributing it to the hardworking and talented populace of the state. Acknowledging the historical significance of March 22, 1912, when Bihar became a separate state, and its subsequent attainment of statehood on January 26, 1950, Governor Shri Kataria congratulated the people belonging to Bihar living in the state and elsewhere. He said that Bihar's illustrious journey spans millennia, showcasing its enduring influence on the nation and the world. Referring former President Late Abdul Kalam's remark on Bihar's potential to lead India through improved education, Governor Kataria underscored the state's intellectual prowess and its capacity to shape the nation's future. He recounted Bihar's esteemed lineage, from Vedic times to the eras of luminaries like Janak, Vishwamitra, Chanakya, Chandragupta, and Ashoka.

# The Hilal Committee of Dibrugarh has fixed the rate of Fitra for the month of Ramadan

Guwahati,RB News:Every year during the month of Ramadan, Muslims give Fitra or donation among the poor people of the society. The Fitrah is in addition to the Jakat or donation that is given by the rich to the poor. It is mandatory for the affluent families that fitrah or donation is given in the name of every member of the family so that the poor and needy of the society do not go hungry or starve and that they can afford to buy new garments for their children on Eid. The Fitrah is fixed on the basis of the current market price of 1,633 grams of flour, or its equivalent. The Hilal Committee of Dibrugarh District held a meeting held on 20-3-24 in presence of several Scholars, Muftis, members of the Hilal Committee and dignitaries like Jonab Mufti Abdur Rahman, Maulana Hafiz Rafik Ahmad Laskar and Maulana Atiqur Rahman Kasimi of Dibrugarh and decided to fix the minimum rate of 'Fitrah'for Dibrugarh at the rate of Rs. of Rs.65/- (sixty five) per person. It is obligatory that this Fitrah is also given in the name of children born before Eid Ul Fitre. For the Wealthy group of the Society is separate and obligatory to donate Dates of 3,266 gms worth Rs. 392/-, Raisins of 3,266 gms worth Rs. 849/-. The Hilal Committee President Alhaj Maulana Ainan Zuberi and Secretary Nasimul Gani has requested the people of Dibrugarh to pay Fitrah as per the rate fixed by the Hilal Committee.

# IAF helicopter drops ISRO's SUV-sized 'Pushpak' from 15,000 feet




RB News: IAF and ISRO on Friday successfully tested ISRO's 'Pushpak', an SUV-sized winged vehicle. "Utilising the IAF Chinook helicopter for its airlift and subsequent positioning at a predefined altitude... ISRO successfully demonstrated the autonomous landing capability of the Reusable Launch Vehicle 'Pushpak'," wrote IAF while sharing a video. 'Pushpak' was airlifted to an altitude of nearly 15,000 feet.

# Ruturaj Gaikwad replaces MS Dhoni as CSK captain



RB News:Ruturaj Gaikwad has replaced MS Dhoni as the captain of Chennai Super Kings (CSK). The IPL took to X (formerly Twitter) to share a group picture of the captains in IPL 2024, with PBKS being represented by vice-captain Jitesh Sharma. The picture featured Ruturaj as CSK captain. CSK won 142 out of 235 matches under the captaincy of MS Dhoni.

# Tanush Kotian named as replacement for Adam Zampa



RB News:Rajasthan Royals named promising Mumbai all-rounder Tanush Kotian for Adam Zampa in IPL 2024 which will start from 22nd March onwards. Zampa decided to withdraw from the tournament due to personal reasons. He will be joining the RR squad with a base price of 20 Lakhs. Kotian played a stellar role in helping Mumbai win the 42nd Ranji Trophy title.

# BCCI pays tribute to Chandrayaan-3 during IPL 2024 opening ceremony

RB News:The BCCI paid tribute to Chandrayaan-3 mission during IPL 2024 opening ceremony at the Chepauk Stadium in Chennai. An AR video depicting the landing of Vikram lander on the lunar surface was shown during the opening ceremony while AR Rahman was performing.

# Pant makes emotional return to cricket after 15 months



RB News:Delhi Capitals skipper Rishabh Pant has made his return to competitive cricket after 15 months in IPL 2024 against Punjab Kings in Mullanpur on Saturday. He has been on the sidelines for 15 months due to injuries after a horrific car crash last year. A week before the IPL, Pant was declared fit by BCCI after receiving clearance from NCA.

# জয়েৰে আইপিএলত অভিযান আৰম্ভ চেন্নাই ছুপাৰ কিংছৰ



ৰঙিলী বাৰ্তাসেৱা- সহজ জয়েৰে আইপিএলত অভিযান আৰম্ভ কৰিলে পাঁচবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে। চেন্নাইত অনুষ্ঠিত ৰোমাঞ্চকৰ উদ্বোধনী মেচখনত নৱনিযুক্ত অধিনায়ক ৰুতুৰাজ গাইকোৱাড নেতৃত্বাধীন চেন্নায়ে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। মেচখনত বেংগালুৰুৱে জয়ৰ বাবে বান্ধি দিয়া ১৭৪ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি শিৱম ডুবেৰ অপৰাজিত ৩৮, ৰবীন্দ্ৰ জাদেজাৰ অপৰাজিত ২৫ আৰু ৰাচিন ৰবীন্দ্ৰৰ ৩৭ ৰানৰ সহায়ত চেন্নায়ে ১৮.২ অভাৰত চাৰিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। অধিনায়ক গাইকোৱাডে ১৫ ৰানৰ অৰিহণা আগবঢ়োৱাৰ লগতে আজিংক্য ৰাহানেই ২৭ আৰু ডাৰিল মিচেলে ২২ ৰানৰ অৰিহণা আগবঢ়ায়। ডুবে আৰু জাদেজাই পঞ্চম উইকেটত অপৰাজিতভাৱে ৬৬ ৰান সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ কেমেৰন গ্ৰীনে সৰ্বাধিক দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্ত্বেও অনুজ ৰাৱট আৰু দীনেশ কাৰ্তিকৰ বেটিঙৰ সহায়ত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৭৩ৰান সংগ্ৰহ কৰে। অ'পেনাৰদ্বয় বিৰাট কোহলি আৰু অধিনায়ক ফাফ ডু প্লেচিছে প্ৰথম উইকেটৰ যুটিত ৪১ ৰান সংগ্ৰহ কৰি দলক সুন্দৰ আৰম্ভণি দিয়ে যদিও মাত্ৰ দুই ৰানৰ ব্যৱধানত তিনিটাকৈ উইকেট হেৰুৱাই বিপদত পৰে বেংগালুৰু। ডু প্লেচিছে ২৩টা বলত ৩৫, ৰজত পাটিদাৰে আৰু গ্লেন মে'ৰেলেও কোনো ৰান নকৰাকৈ বিদায় লয়। ২০টা বলত ২১ ৰান কৰা কোহলিয়ে কেমেৰন গ্ৰীনৰ সৈতে লগ লাগি দলীয় স্ক'ৰ বৃদ্ধি কৰাৰ চেষ্টা কৰে যদিও দলীয় স্ক'ৰ ৭৭ ৰানত কোহলিয়ে বিদায় লয়। অনুজ ৰাৱট আৰু দীনেশ কাৰ্তিকে ষষ্ঠ উইকেটত ৯৫ ৰান সংগ্ৰহ কৰি দলটোক সন্তোষজনক স্থিতিত উপনীত কৰায়। চেন্নাই ছুপাৰ কিংছৰ হৈ বাংলাদেশৰ মুস্তাফিজুৰ ৰহমানে সৰ্বাধিক চাৰিটা উইকেট লাভ কৰাৰ লগতে দীপক চহৰে এটা উইকেট লাভ কৰে।

# আইপিএলৰ আৰম্ভণিতে অভিলেখ গঢ়িলে বিৰাট কোহলীয়ে




ৰঙিলী বাৰ্তাসেৱা- আইপিএলৰ আৰম্ভণিতে অভিলেখ গঢ়িলে বিৰাট কোহলীয়ে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ খেলিবলৈ নামিয়ে অভিলেখ গঢ়িলে বিৰাট কোহলীয়ে। চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে খেলা প্ৰথমখন খেলতে বিৰাটে টি-২০ত ১২০০০ ৰাণ সম্পূৰ্ণ কৰিলে। ক্ৰিছ গেইলৰ পাছতে তেওঁ দ্ৰুত ১২০০০ ৰাণ সম্পূৰ্ণ কৰা ক্ৰিকেটাৰ হিচাপেও পৰিগণিত হৈছে। ইফালে টি-২০ত ১২০০০ ৰাণ সম্পূৰ্ণ কৰা তেওঁ প্ৰথমগৰাকী ভাৰতীয় ক্ৰিকেটাৰ হোৱাৰ খ্যাতি অৰ্জন কৰিলে। এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আই পি এল-২০২৪ৰ উদ্বোধনী খেলখনত আৰ চি বিয়ে টছত জয় লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি বিৰাট কোহলি আৰু অধিনায়ক ফাফ ডু প্লেচিছে অপেনিং কৰিবলৈ আহি সুন্দৰ আৰম্ভণি দিয়ে। আৰম্ভণিৰে পৰা আক্ৰমণাত্মক হৈ পৰা ফাফ ডু প্লেচিছে ২৩ বলত ৩৫ ৰাণ কৰে। সেইদৰে বিৰাট কোহলিয়ে ২০টা বলত ২১ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ লগে লগে তেওঁ টি-২০ত ৰচ হাজাৰ ৰাণৰ সীমা অতিক্ৰম কৰে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ইয়াৰ পূৰ্বে ক্ৰিছ গেইল, শ্বৈইব মালিক, কিৰণ পোলাৰ্ড, এলেক্স হেলছ আৰু ডেভিড ৱাৰ্নাৰ এই অভিলেখ 'মাইলষ্টন'ত উপনীত হৈছিল।

# ছুইছ অ'পেনৰ ছেমিফাইনেলত শ্ৰীকান্ত



ৰঙিলী বাৰ্তাসেৱা- বাছেলত চলি থকা ছুইছ অ'পেন ছুপাৰ ৩০০ বেডমিন্টন প্ৰতিযোগিতাৰ মহিলা শাখাৰ ছিংগলছৰ অন্তিম ১৬ৰ মেচ এখনত অলিম্পিকত দুবাৰৰ পদকজয়ী পিভি সিন্ধুৱে জাপানৰ তৰুণীৰ হাতত পৰাস্ত হৈ প্ৰতিযোগিতাখনৰ পৰা বিদায় লয়। তিনিটা গেমৰ দ্বিতীয় ৰাউণ্ডৰ মেচখনত সিন্ধুৱে জুনিয়ৰ বিশ্ব চেম্পিয়ন জাপানৰ ১৭ বছৰীয়া টম'কা মিয়াজাকিৰ হাতত ২১-১৬, ১৯-২১, ১৬-২১ গেমত পৰাস্ত হয়। ইফালে, ভাৰতৰ আগশাৰীৰ পুৰুষ শ্বাটলাৰ লক্ষ্য সেনে পুৰুষ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডৰ মেচখনত মাত্ৰ ৩৮ মিনিটতে আত্মসমৰ্পণ কৰে। সদ্যসমাপ্ত অল ইংলেণ্ড বেডমিন্টন চেম্পিয়নশ্বিপৰ ছেমিফাইনেলিষ্ট লক্ষ্য সেনে চাইনীজ টাইপেইৰ লী চিয়া-হাওৰ হাতত ১৭-২১, ১৫-২১ গেমত পৰাস্ত হয়। আনহাতে একমাত্ৰ ভাৰতীয় হিচাপে বৰ্তি থকা কিদাম্বি শ্ৰীকান্তে চলিত ছুইছ অ'পেন' ছুপাৰ ৩০০ বেডমিন্টন প্ৰতিযোগিতাৰ পুৰুষ ছিংগলছৰ ছেমিফাইনেলত স্থান সুৰক্ষিত কৰিছে। প্ৰতিযোগিতাখনৰ পুৰুষ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেল মেচ এখনত ২০২১ চনৰ বিশ্ব বেডমিন্টন চেম্পিয়নশ্বিপৰ ৰূপৰ পদক জয়ী শ্ৰীকান্তে চাইনীজ টাইপেইৰ চিয়া হাও লীক পৰাস্ত কৰি অন্তিম চাৰিলৈ উন্নীত হয়। ৩৫ মিনিটৰ মেচখনত শ্ৰীকান্তে ২১-১০, ২১-১৪ গেমত জয়লাভ কৰে। শ্ৰীকান্তে দ্বিতীয় ৰাউণ্ডৰ মেচ এখনত মালয়েছিয়াৰ লী ঝি জিয়াক ২১-১৬, ২১-১৫ গেমত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। সুদীৰ্ঘ ১৬ মাহৰ অন্তত ছেমিফাইনেলত প্ৰৱেশ কৰিছে শ্ৰীকান্তে। চলিত ছিজনৰ এতিয়ালৈকে আঠখন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ভাৰতীয় শ্বাটলাৰগৰাকীয়ে ২০২২ চনৰ নৱেম্বৰত হাইলো অ'পেনত অন্তিমবাৰৰ বাবে ছেমিফাইনেল খেলিছিল।

# দিল্লী কেপিটেলছৰ বিৰুদ্ধে পঞ্জাব কিংছৰ জয়লাভ



ৰঙিলী বাৰ্তাসেৱা- শিখৰ ধাৱন নেতৃত্বাধীন পঞ্জাব কিংছে চলিত আইপিএলৰ প্ৰথমখন মেচত ঋষভ পন্ত নেতৃত্বাধীন দিল্লী কেপিটেলছক ৪ উইকেটত পৰাস্ত কৰে। মেচখনত দিল্লী কেপিটেলছে জয়ৰ বাবে বান্ধি দিয়া ১৭৫ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্ত্বেও ছেম কৰণৰ চমকপ্ৰদ অৰ্ধশতক আৰু লিয়াম লিভিংষ্টনৰ দায়িত্বশীল বেটিঙৰ সহায়ত পঞ্জাব কিংছে ১৯.২ অভাৰত ৬টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। দলীয় স্ক'ৰ ৪২ ৰানত অ'পেনাৰদ্বয় অধিনায়ক ধাৱন আৰু জ'নী বেয়াৰষ্ট'ক হেৰুৱাই বিপদত পৰিছিল পঞ্জাব। ধাৱনে ২২ আৰু বেয়াৰষ্ট'ৱে ৯ ৰান কৰি বিদায় লয়। অৱশ্যে প্ৰভছিমৰন সিং আৰু ছেম কৰণে তৃতীয় উইকেটত ৪২ ৰান সংগ্ৰহ কৰি দলটোক সন্তোষজনক স্থিতিত উপনীত কৰায়। দিল্লীৰ হৈ খলিল আহমেদ আৰু কুলদীপ যাদৱ উভয়ে সৰ্বাধিক দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি অভিষেক প'ৰেলৰ ১০ বলত অপৰাজিত ৩২, ছাই হ'পৰ ৩৩ আৰু ডেভিদ ৱাৰ্নাৰৰ ২৯ ৰানৰ সহায়ত দিল্লী কেপিটেলছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৭৪ ৰান কৰে। সুদীৰ্ঘ ৪৫৪ দিনত খেলপথাৰলৈ প্ৰত্যাৱৰ্তন কৰা ঋষভ পন্টে ১৮ ৰানৰ অৱদান আগবঢ়োৱাৰ লগতে মিচেল মাৰ্শ্বে ২০ আৰু অক্ষৰ পেটেলে ২১ ৰান কৰে। পঞ্জাবৰ হৈ অৰ্শদীপ সিং আৰু হৰ্ষল পেটেল উভয়ে সৰ্বাধিক দুটাকৈ উইকেট লাভ কৰে।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286